অসম দাপোণ
দৈনিক অগ্ৰদূত

লখিমপুৰ বৰচৰীয়া হস্ততাঁত-বস্ত্ৰ শিল্প উদ্যোগৰ সঞ্চালক-সম্পাদকৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ

# তিনি বছৰে তাঁতশালতে জহি-খহি গৈছে গামোচা



**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ১১ মে' ঃ** লখিমপুৰ আজাদস্থিত বৰচৰীয়া হস্ততাঁত বস্ত্ৰ শিল্প উদ্যোগৰ সঞ্চালক-সম্পাদকৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে ২০১৯ৰ ১২ ডিচেম্বৰ আৰু ২০২০ৰ ২৯ জুলাইৰ পাবলগীয়া পাৰিতোষিক উদ্যোগটোৰ কৰ্মৰত শিপিনীয়ে আজিলৈকে পোৱা নাই। এই সন্দৰ্ভত শিপিনীসকলে সঞ্চালক ড° দয়ানন্দ বৰগোহাঞি আৰু সম্পাদক পুষ্পধৰ শইকীয়াক আবেদন-নিবেদন কৰিছে যদিও ডেৰ বছৰৰ অধিক প্ৰাপ্য ধন দৰিদ্ৰ শিপিনীক মোকলাই দিয়া নাই। কোনোমতে, দুবেলা-দুমুঠি খাই থকা শিপিনীসকলে মূৰে-কপালে হাত থৈ চকুলো টুকিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। তেওঁলোক পৰিয়াল চলোৱাত জটিল সমস্যাৰ সৃষ্টি হৈছে। উল্লেখ্য যে শিপিনীৰ পাৰিতোষিক নোপোৱাৰ বাবে বৰ্তমান বস্ত্ৰ উদ্যোগটো সম্পূৰ্ণৰূপে স্থবিৰ হৈছে। ফলত ৬০ যোৰ তাঁতশালত লগাই থোৱা গামোচা বিগত তিনি বছৰে তাঁতশালত জহি-খহি গৈছে। উল্লেখ্য যে প্ৰাপ্য ধনৰাশি পোৱাৰ আশাৰে বৰ্তমানেও উদ্যোগটোত শিপিনীসকলে নিজা খৰচত উদ্যোগতে বসবাস কৰি আছে। এই ক্ষেত্ৰত সঞ্চালক-সম্পাদকে চকু মুদা কুলিৰ ভাও ধৰাৰ অভিযোগ উত্থাপিত হৈছে। বৰ্তমানেও প্ৰশিক্ষক পুৰবী বৰুৱাৰ নেতৃত্বত অন্যান্য শিপিনীসকলে ক্ষুদ্ৰ উদ্যোগটোত পুনৰুজ্জীৱিত হোৱাৰ আশাৰে বাট চাই আছে। উল্লেখ্য যে হস্ততাঁত-বস্ত্ৰ শিল্পৰ প্ৰয়োজনীয় বহু লাগতিয়াল সামগ্ৰীসমূহ আত্মসাৎ কৰাৰ অভিযোগো উত্থাপিত হৈছে।

# নোনা নৈৰ এখন বাঁহৰ দলঙে জ্বলা-কলা খুৱাইছে ৰাইজক

**অগ্ৰদুত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১১ মে' ঃ** নলবাৰী জিলাৰ আৰু কামৰূপ জিলাৰ ৰঙিয়া সমষ্টিৰ সীমামূৰীয়া ঘগ্ৰাপাৰৰ ভিঠামহল গাঁৱৰ নোনা নৈৰ ওপৰত দীৰ্ঘ বছৰ ধৰি এখন বাঁহ দলঙে ৰাইজক যন্ত্ৰণা ভোগাই আহিছে তৎসত্বেও নলবাৰী আৰু ৰঙিয়া সমষ্টিৰ জনপ্ৰতিনিধিসকলে গুৰুত্ব প্ৰদান কৰা নাই বুলি অভিয়োগ উঠিছে। উল্লেখ্য যে নলবাৰী জিলাৰ ৫৯ নম্বৰ নলবাৰী বিধানসভা সমষ্টিৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ভিঠামহল গাঁৱৰ বাসন্তী মন্দিৰ চ'কৰ পৰা কলীয়া গোসাঁই থান হৈ কামৰূপ জিলাৰ ৰঙিয়া সমষ্টিৰ হালিকুছিৰ গাঁৱৰ মাজেদি দ্বাৰকুছি চ'ক সংযোগী পথছোৱাৰ ঘগ্ৰাপাৰৰ ভিঠামহলত নোনা নৈৰ ওপৰত বাঁহ দলংখনে উন্নয়নৰ স্বৰূপ উদঙাইছে বুলি বৰাজোল আঞ্চলিক ছাত্ৰ সন্থাই অভিয়োগ উত্থাপন কৰিছে। আজিও দুৰ্গম যাতায়াত জৰাজীৰ্ণ বাঁহৰ দলঙে হৈছে একমাত্ৰ যাতায়াতৰ সম্বল জৰাজীৰ্ণ বাঁহৰ দলঙৰে নিতৌ যাতায়াত কৰে



ৰাইজে। মৰণ- ফান্দ সদৃশ জৰাজীৰ্ণ বাঁহৰ দলঙৰে নিতৌ বিদ্যালয়লৈ অহা-যোৱা কৰে ছাত্ৰ-ছাত্ৰীসকলে। নলবাৰী আৰু ৰঙিয়া সমষ্টিবাসীয়ে যাতায়াতৰ বাবে নৰক যন্ত্ৰণা ভুগিছে যদিও কাণসাৰ নাই দুয়োটা সমষ্টিৰে জনপ্ৰতিনিধিৰ। সম্প্ৰতি মৰণ ফান্দ সদৃশ জৰাজীৰ্ণ বাঁহৰ দলঙৰে নিতৌ যাতায়াত অব্যাহত ৰাখিছে সমষ্টি দুয়োটাৰ কে'বাখনো গাঁৱৰ ৰাইজে। আনহাতে, এই জৰাজীৰ্ণ বাঁহৰ দলঙৰ ওপৰেৰে নিতৌ পাৰ হৈ অহা-যোৱা কৰিব লাগে চাৰিখনকৈ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে ব্যৱসায়ীসকলে। নলবাৰী আৰু ৰঙিয়া সমষ্টিৰ সীমামূৰীয়া অঞ্চল হোৱা বাবে মাহী হাইৰ দৃষ্টিৰে চোৱাৰ বাবে এই অঞ্চলটোত সঁচাকৈয়ে নেপাই ৰাইজে নিজৰ গাঁঠিৰ ধন ভাঙি বছৰে বছৰে মেৰামতি কৰিব লাগে দলংখন। উল্লেখ্য যে উক্ত দলংখন পাৰাপাৰ হ'লে মটৰ চাইকেলৰ ২০ টকা, চাইকেলত দহ টকা আদায় লয় যদিও উক্ত ধনৰাশি বছৰি দলংখন নিৰ্মাণৰ বাবদ খৰছ কৰে।

# ডিব্ৰুগড়তো গুণোৎসৱ ঃ মুঠ ১৬৬৯ খন শিক্ষানুষ্ঠানত

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ১১ মে' ঃ** আজিৰে পৰা ৰাজ্যৰ ১২ খন জিলাত গুণোৎসৱ আৰম্ভ হৈছে। ডিব্ৰুগড় জিলাতো গুণোৎসৱত মুঠ ১৬৬৯খন বিদ্যালয়ক সাঙুৰি লৈছে। প্ৰথম দিনটোত ৫৮৫ খন, দ্বিতীয় দিনটোত ৫৮৪ খন আৰু তৃতীয় দিনটোত ৫২৮ খন শিক্ষানুষ্ঠানত গুণোৎসৱ জৰিয়তে মূল্যাংকন কৰা হ'ব। প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ'ল ১,৩৪,৭৩২ গৰাকী।শিক্ষাৰ মান উন্নত কৰাৰ উদ্দেশ্য ৰাজ্যত গুণোৎসৱ আয়োজন কৰিছিল যদিও বিৰ্গত দুবছৰে ক'ভিড সৃষ্ট পৰিৱেশৰ বাবে হোৱা নাছিল যদিও এইবাৰ গুণোৎসৱ উপলক্ষে সজাই-পৰাই তোলা হৈছে শিক্ষানুষ্ঠানসমূহ। বিভাগৰ জৰিয়তে জিলাখনত মুঠ ১৪৩ জনক যোগাযোগ বিষয়া হিচাপে দায়িত্ব দিয়া লগতে ১৬৯৮ জনক ন'ডেল শিক্ষক হিচাপে দায়িত্ব দিছে। আজি শিক্ষানুষ্ঠানসমূহে বিভাগৰ পৰা অহা প্ৰশ্ন কাকতৰ জৰিয়তে নিজাকৈ নম্বৰ স্ব মূল্যাংকন কৰিব।

# গোৱালপাৰা চহৰত পঞ্চায়ত অঞ্চলৰ ই-ৰিক্সাৰ প্ৰৱেশ নিষিদ্ধ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১১ মে' ঃ** গোৱালপাৰা চহৰত পঞ্চায়ত অঞ্চলৰ ই-ৰিক্সা প্ৰৱেশৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰিছে গোৱালপাৰা পৌৰসভা কৰ্তৃপক্ষই। দায়িত্বভাৰ গ্ৰহণৰ পাছতে আজি গোৱালপাৰা পৌৰসভাৰ প্ৰথমখন বোৰ্ড সভা অনুষ্ঠিত হয়। পৌৰসভাৰ পৌৰপতি মহানন্দ পাঠকে সদৰী কৰা মতে, উক্ত সভাত সৰ্বসন্মতিক্ৰমে কে'বাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইয়াৰে চহৰৰ দোকান, গৃহ আৰু ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ পুনৰ মূল্যায়ণ কৰাৰ সিদ্ধান্ত লয়। অৱশ্যে দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা লোকসকলৰ বাবে পুনৰ মূল্যায়ন ৰেহাই দি নিম্নতম কৰ লগোৱাৰ সিদ্ধান্ত লয়। ই-ৰিক্সাসমূহ পঞ্চায়ত অঞ্চলৰ পৰা চহৰত প্ৰৱেশ নিষিদ্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। অৱশ্যে এই ক্ষেত্ৰত ৰোগী থকা ই-ৰিক্সাসমূহক ৰেহাই দিয়া হৈছে। গোৱালপাৰা চহৰৰ ১৯ টা ৱাৰ্ড সমৰি নলা নিৰ্মাণ কৰাৰ এটা মাষ্টাৰ প্লেন তৈয়াৰ কৰাৰ সিদ্ধান্ত লোৱা হয়। উক্ত সভাত চহৰত পলিথিন নিষিদ্ধ কৰাৰ সিদ্ধান্ত লোৱা হয় আৰু পানী ওলাই যোৱা নলাসমূহ চাফাই কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বিগত মাহত মুঠ ৩০,২৪,৩০৫ টকা কৰ সংগ্ৰহ কৰাৰ বিপৰীতে বিভিন্ন শিতানত ২৫,৭১,০১৪ টকা খৰছ কৰাৰ পাছত ৪,৫৩,২৯১টকা ৰাহি হোৱা বুলি দেখুৱায়।



*তামুলপুৰত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষকক ৰাজহুৱা বিদায় সম্বৰ্ধনা, বুধবাৰে।*

# তেজপুৰত হাতীদাঁতৰ টুকুৰাসহ ধৃত এক



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১১ মে' ঃ** তেজপুৰৰ বৰঘাট আৰক্ষী চকী অন্তৰ্গত বটাবাৰীত আজি আৰক্ষীয়ে হাতীদাঁতসহ এজন লোকক গ্ৰেপ্তাৰ কৰিছে। আৰক্ষীয়ে উল্লেখ কৰা অনুসৰি চটাইচাপৰিৰ জামালউদ্দিন নামৰ লোকজনে এটা মোনাত দুটা হাতীদাঁতৰ টুকুৰা বিক্ৰী কৰিবলৈ অহা বুলি আগতীয়া তথ্য লাভ কৰিছিল। আৰু ইয়াৰ ভিত্তিতে আৰক্ষীয়ে আজি বটাবাৰীত ৩৭ (ক) নম্বৰ ৰাষ্ট্ৰীয় পথৰ পৰা তেওঁক গ্ৰেপ্তাৰ কৰে। লোকজনৰ পৰা উদ্ধাৰ হোৱা হাতীদাঁতৰ টুকুৰাদুটাৰ অংশৰ ওজন দুই কিলো সাতশ গ্ৰাম। ঘটনা সন্দৰ্ভত আৰক্ষীৰ অধিক অনুসন্ধান অব্যাহত ৰাখিছে।

# নগাঁৱৰ গোমোঠা গাঁৱত দুৰ্ঘটনাত নিহত এক

**বিশেষ সংবাদদাতা**

**নগাঁও/পুৰণিগুদাম, ১১ মে' ঃ** আজি সন্ধিয়া নগাঁও জিলাৰ গোমোঠা গাঁৱত নিৰ্মিয়মান চাৰিলেনযুক্ত ৩৭ নম্বৰ ঘাইপথত সংঘটিত এক পথ দুৰ্ঘটনাত এজন লোকৰ মৃত্যু হয়। দুৰ্ঘটনাটোত নিহত লোকজনক পুৰণিগুদামৰ নলবৰা গাঁৱৰ যতীন বৰা ওৰফে দাদুল বুলি চিনাক্ত কৰা হৈছে। নগাঁও অভিমুখি এএছ-০২ আৰ- ৭৩৯৩ নম্বৰৰ এখন হোণ্ডাই গ্ৰেণ্ড আই-১০ গাড়ীএখনৰ স'তে পুৰণিগুদামৰ অভিমুখে গৈ থকা এএছ-০১ বিজেদ-৪৫৮৫ নম্বৰৰ এখন মটৰ চাইকেলৰ মুখামুখি সংঘৰ্ষৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাটোত গুৰুতৰভাৱে আহত হয় পুৰণিগুদাম নলবৰা গাঁৱৰ যতীন বৰা ওৰফে দাদুল নামৰ আৰোহিজনক সংকটজনক অৱস্থাত নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ নিয়া হয় যদিও চিকিৎসকে স্বাস্থ্য পৰীক্ষা কৰি তেওঁক মৃত বুলি ঘোষণা কৰে।

# লক্ষীগোগত ছামাদি মুকলি



**অগ্ৰদূত বাৰ্তা**

**সোণাপুৰ, ১১ মে' ঃ** তিৱা স্বায়ত্ত শাসিত পৰিষদৰ আৰ্থিক অনুদানেৰে ক্ষেত্ৰীৰ লক্ষ্মীগোগত নিৰ্মিত ছামাদি গৃহ (ডেকা চাং) এটি আজি মুকলি কৰা হয়। ছামাদি গৃহটো আজি পৰম্পৰাগত ৰীতি-নীতিৰে মুকলি কৰে তিৱা স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰে। এই উপলক্ষে অনুষ্ঠিত মুকলি সভাত স্থানীয় বিধায়ক অতুল বৰাই মুখ্য অতিথিৰূপে উপস্থিত থাকি তিৱা জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতি বিকাশত ছামাদি গৃহটোৱে উল্লেখনীয় বৰঙণি আগবঢ়াব বুলি মন্তব্য কৰে। উক্ত সভাত তিৱা স্বাযত্ত শাসিত পৰিষদৰ উপ-মুখ্য কাৰ্যবাহী সদস্য তুলসী বৰদলৈ, লোক সংস্কৃতিৰ সংগ্ৰাহক মুৰুলীধৰ দাস, তিৱা পৰিষদৰ কাৰ্যবাহী সদস্য দিব্যলতা বৈশ্য, ক্ষেত্ৰী পঞ্চায়তৰ সভানেত্ৰী দিপালী বণিয়া বৈশ্যকে মুখ্য কৰি তিৱা জনগোষ্ঠী গাঁৱৰ মুখীয়ালসকলেও অংশগ্ৰহণ কৰে। তদুপক্ষে পাহাৰীয়া গাঁওখনত জনগোষ্ঠীয় নৃত্য-গীতৰে মুখৰিত হৈ পৰে।

# নগাঁৱত ড্ৰাগছসহ আৰক্ষীৰ জালত ড্ৰাগছ সৰবৰাহকাৰী



**বিশেষ সংবাদদাতা**

**নগাঁও, ১১ মে' ঃ** নগাঁও আৰক্ষীয়ে নিচাযুক্ত ড্ৰাগছৰ বিৰুদ্ধে চলোৱা অভিযানত নিতৌ ড্ৰাগছসহ আৰক্ষীৰ জালত পৰিছে ড্ৰাগছ সৰবৰাহকাৰী। যোৱা নিশাও নগাঁও নগৰ আৰক্ষীয়ে নগাঁও চহৰৰ পাৰ্শ্বৱৰ্তী কেন্দুগুৰিত অভিযান চলাই আইজুল ইছলাম নামৰ এজন ড্ৰাগছ সৰবৰাহকাৰীক কৰায়ত্ত কৰে। আৰক্ষীয়ে ধৃত আইজুলৰ জিম্মাৰ পৰা ১৬টা প্লাষ্টিক কন্টেইনাৰত থোৱা অৱস্থাত ১.৬২ গ্ৰাম হেৰ'ইনৰ লগতে নগদ ধন ২৭০০ টকা জব্দ কৰে।

# চৰাইদেউ জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ বৈঠক

■ বানপানীৰ সময়ত ছাত্ৰ-ছাত্ৰীক পাঠদানৰ ব্যৱস্থা লোৱা হ'ব

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ১১ মে' ঃ** চৰাইদেউ জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ এখন গুৰুত্বপূৰ্ণ বৈঠক কালি জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত উপায়ুক্ত পল বৰুৱাৰ পৌৰোহিত্যত অনুষ্ঠিত হয় বুলি জিলাৰ তথ্য আৰু জনসংযোগ বিষয়াই জনাইছে। জিলাখনৰ সকলো বিভাগৰ মুৰব্বী বিষয়াসকলৰ উপস্থিতিত অনুষ্ঠিত বৈঠকত উপায়ুক্তই আগন্তুক বাৰিষা সময়ত ল'ব লগা যাৱতীয় ব্যৱস্থা সম্পৰ্কে পৰ্যালোচনা কৰি কয় যে বাৰিষা সময়ত বা দুৰ্যোগৰ সময়ত নিজ নিজ বিভাগসমূহে নিজ নিজ দায়িত্ব যাতে সুচাৰুৰূপে পালন কৰে সেইটো নিশ্চিত কৰা উচিত। লগতে চৰাইদেউ জিলাত নতুনকৈ এটা এছডিআৰএফৰ কাৰ্যালয় স্থাপন কৰিবলৈ ৰাজ্যিক ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগক অনুৰোধ জনায়। বৈঠকত উপায়ুক্ত বৰুৱাই জিলাখনত বানপানীৰ সময়ত স্কুলসমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ যাতে পাঠদান বন্ধ নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ পাঠদানৰ সুবিধাৰ্থে অস্থায়ী কেম্প অনুষ্ঠিত কৰি কেম্পসমূহত সৌৰশক্তিৰ ব্যৱস্থা কৰিবলৈ দুৰ্যোগ ব্যৱস্থাপনা বিভাগক অনুৰোধ জনায়। আনহাতে, বৈঠকত ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ কাৰিকৰী বিষয়া নৱ ডেকাই প্ৰাকৃতিক দুৰ্যোগৰ সময়ত বিভাগসমূহে ল'বলগীয়া বিভিন্ন আঁচনিৰ কথা উল্লেখ কৰাৰ উপৰি উক্ত সময়ত বিভাগসমূহে ল'বলগীয়া যাৱতীয় ব্যৱস্থা সম্পৰ্কে উল্লেখ কৰে। বৈঠকত জিলাখনৰ কে'বাগৰাকীও প্ৰশাসনিক বিষয়ববীয়া উপস্থিত থাকে।

# নলবাৰী জিলা লেখক সভাৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ১১ মে' ঃ** নলবাৰী জিলা লেখক সভাৰ ২৫ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি চকবজাৰস্থিত কাৰ্যালয় চৌহদত অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি পুৱা সভাৰ সভাপতি অৰ্জুন সেন ডেকাই পতাকা উত্তোলন কৰি অনুষ্ঠানৰ আৰম্ভ কৰে। সন্ধিয়া সম্পাদক বিজয় বৰুৱাই আঁতধৰা অনুষ্ঠানত ভালেসংখ্যক লোকে বন্তি প্ৰজ্বলন কৰে। উক্ত অনুষ্ঠানত শিল্পী কাজল বৰুৱা, টুইংকল চৌধুৰী, কল্পনা ঠাকুৰীয়া, আদ্যৰাণী মজুমদাৰে সংগীত পৰিবেশন কৰাৰ লগতে কবি প্ৰণৱ কুমাৰ ডেকা, হিতেশ বৰ্মনে কবিতা পাঠ কৰে। অনুষ্ঠানত ১৪ নম্বৰ ৱাৰ্ডৰ বিজেপিৰ পৰা নিৰ্বাচিত ৱাৰ্ড কমিছনাৰ অলকা বৰ্মনক সভাৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানটোত লেখক সভাৰ অতীত ৰোমন্থন কৰি কাৰ্যকৰী সভাপতি উমেশ শৰ্মাই ভাষনত কয় যে নলবাৰী জিলা লেখক সভাই ২৫ বছৰ অতিক্ৰম কৰি নানা ঘাট প্ৰতিঘাটেৰে নতুন বাটেৰে আগবাঢ়িছে।

# হাবিয়াল গাঁও নামঘৰৰ নৱ নিৰ্মিত মণিকূট উদ্বোধন

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ১১ মে' ঃ** গোলাঘাট জিলাৰ গণকপুখুৰী অঞ্চলৰ হাবিয়াল গাঁও নামঘৰৰ নৱ নিৰ্মিত মণিকূটভাগি পৰহি এক মাংগলিক পৰিৱেশত উদ্বোধন কৰা হয়। এই উপলক্ষে পুৱা হাবিয়াল গাঁও উন্নয়ন সমিতিৰ সভাপতি ধীৰেন্দ্ৰ নাথ ৰাজখোৱাই ধৰ্মধ্বজা উত্তোলন কৰাৰ পাছতে নতুন মণিকূটত গুৰু আসন প্ৰতিষ্ঠা কৰে গাঁওখনৰ জ্যেষ্ঠ ধৰ্মপ্ৰাণ ব্যক্তি দেৱেন্দ্ৰ নাথ ৰাজখোৱাই। এই উপলক্ষে নাম প্ৰসংগৰ পাছতে দুদিনীয়া কাৰ্যসূচীৰে ভাগৱত পাঠ আৰম্ভ কৰা হয়। ভাগৱত মহাশাস্ত্ৰ প্ৰতিষ্ঠা কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন শৰণ সদস্য নবীন বৰাই। উল্লেখ্য যে প্ৰায় ন লাখ টকা ব্যয়েৰে নতুনকৈ নিৰ্মাণ কৰা মণিকূট ভাগিৰ বাবে ৰাইজৰ দান-বৰঙণিৰ উপৰি গাঁওখনৰ সুযোগ্য সন্তান তথা অসমৰ এজন শিক্ষাবিদ প্ৰয়াত উপেন্দ্ৰনাথ বৰাই আগবঢ়াই যোৱা দুই লাখ ৫০ হেজাৰ টকাৰ লগতে স্থানীয় বিধায়ক উন্নয়ন পুঁজিৰ পৰা এক লাখ ৫০ হেজাৰ টকা সংগৃহীত হৈছিল।

# শিক্ষকৰ ৰূপত চিৰাঙৰ উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ ঃ বিদ্যালয় পৰিদৰ্শন উপায়ুক্তৰ

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ১১ মে' ঃ** চিৰাং জিলা উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহক কালি দেখিবলৈ পোৱা গ'ল শিক্ষকৰ ৰূপত। ছাত্ৰ-ছাত্ৰীক পাঠদান কৰি শিক্ষাৰ মানৰ বুজ লয় উপায়ুক্তজনে। জিলাখনৰ ১৫ নম্বৰ তাকতাৰা জেবি স্কুল আৰু নেহালগাঁও আঞ্চলিক এম ই স্কুলত। উপায়ুক্ত শ্বাহে শিক্ষকৰূপে পাঠদান কৰে। ক'ভিডৰ বাবে দীৰ্ঘদিনে বিদ্যালয়ৰ পাঠদানৰ পৰা বঞ্চিত ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ ক্ষেত্ৰত আগুৱাই নিয়াৰ উদ্দেশ্যে 'প্ৰজেক্ট কেটছ আপ' নামৰ এক বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিছিল। ২৫ এপ্ৰিলত জিলাখনৰ অভিভাৱক মন্ত্ৰী ইউ জি ব্ৰহ্মই সেয়া উদ্বোধন কৰিছিল। তেতিয়াৰে পৰা জিলাখনৰ বিদ্যালয়সমূহত প্ৰতিদিনে পুৱা এঘণ্টাকৈ অতিৰিক্ত পাঠ্যক্ৰম আৰম্ভ কৰা হৈছিল। জিলা প্ৰশাসনৰ তৰফৰ পৰা শৈক্ষিক মান উন্নত কৰাৰ বাবে প্ৰতিদিনে জিলা প্ৰশাসনে বিভিন্ন বিদ্যালয় পৰিদৰ্শন কৰি বুজ লোৱা পৰিলক্ষিত হৈছে। একেদৰে আজি বিজনীৰ মহকুমাধিপতি ৰাহুল গুপ্তাই বিজনীৰ বিভিন্ন বিদ্যালয় আৰু অংগনৱাড়ী কেন্দ্ৰৰ বুজ লয়। ইয়াৰ উপৰি বিয়লি উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত জিলা উপায়ুক্ত শ্বাহৰ সভাপতিত্বত অনুষ্ঠিত হয় এখনি গুৰুত্বপূৰ্ণ শৈক্ষিক সভা, য'ত জিলাখনৰ বিভিন্ন ছাত্ৰ সংগঠন আৰু বেচৰকাৰী সংস্থাৰ লোকসকল উপস্থিত থাকে। সভাত বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰত জিলা প্ৰশাসনে গ্ৰহণ কৰা ব্যৱস্থাৰ সহায়ক হ'ব পৰাকৈ ছাত্ৰ সংগঠন আৰু বেচৰকাৰী সংস্থাসমূহৰ পৰা সহযোগিতা কামনা কৰে উপায়ুক্তই। ইপিনে, জিলা উপায়ুক্তৰ নিৰ্দেশ অনুসৰি কাৰ্যবাহী দণ্ডাধীশসকলেও জিলাখনৰ বিভিন্ন স্বাস্থ্য কেন্দ্ৰত উপস্থিত হৈ প্ৰধানমন্ত্ৰীৰ সুৰক্ষিত মাতৃত্ব অভিযানৰ বুজ লয়।

# বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ বিষয়ববীয়াৰ দুদিনীয়া প্ৰশিক্ষণ

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ১১ মে' ঃ** ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ সমগ্ৰ শিক্ষা অসম ২০২২ অন্তৰ্গত লখিমপুৰ বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ বিষয়ববীয়াৰ দুদিনীয়া প্ৰশিক্ষণ আজিৰে পৰা পদ্মনাথ গোহাঞি বৰুৱা উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হৈছে। উল্লেখ্য যে বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ বিষয়ববীয়াৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি দায়িত্ব-কৰ্তব্যবোধ পালন সন্দৰ্ভত অনুষ্ঠিত উক্ত প্ৰশিক্ষণ কাৰ্যসূচী উদ্বোধন কৰে বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° ৰমেশ চন্দ্ৰ চুতীয়া। প্ৰশিক্ষণত সমল ব্যক্তিৰূপে উপস্থিত থাকে জিলা মিছন সমন্বয়ক তথা জিলা উন্নয়ন আয়ুক্ত মনোজ কুমাৰ বৰুৱা, বাধাকৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক উপেন বৰুৱা, কদম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক ভৰত ৰাজখোৱা আৰু ডাঃ নৰকৃষ্ণ ৰাজখোৱা। উক্ত প্ৰশিক্ষণত ছাত্ৰ-ছাত্ৰীৰ আধ্যাত্মিক, শাৰীৰিক, মানসিক স্বাস্থ্যৰ উন্নতি সন্দৰ্ভত আলোচনা কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মাজত সমতাৰ শিক্ষা, মানৱ সম্পদ গঢ়াৰ ক্ষেত্ৰত ভূমিকা, শিক্ষকৰ বিদ্যালয়ৰ চাৰিবেৰৰ বিভিন্ন সমস্যা আদি সন্দৰ্ভত আলোচনা কৰা হয়। অনুষ্ঠানটোত উজ্জলপুৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক পদ্মেশ্বৰ চুতীয়াই বক্তব্য আগবঢ়ায়। অনুষ্ঠানটোত ১৮খন বিদ্যালয়ৰ পাঁচজন প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। কাইলৈ দল গঠন, প্ৰতিবেদন পাঠ, প্ৰাৰ্থনা আদি কাৰ্যসূচী অনুষ্ঠিত হ'ব। পদ্মনাথ গোহাঞি বৰুৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দীপজ্যোতি উপস্থিত থকাৰ লগতে বিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰীয়ে সহযোগিতা আগবঢ়ায়।

সোমাব নোৱাৰে চাৰিচকীয়া গাড়ী, নাহে এম্বুলেন্স

# জৰাজীৰ্ণ বাঁহৰ দলঙে শেষ ভৰসা যাতায়াতৰ

**অগ্ৰদূত বাৰ্তা**

**ৰাজগড়, ১১ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰখনৰ এবছৰীয়া কাৰ্যকালৰ অন্তত উন্নয়নৰ ফোঁপোলাস্বৰূপ ওলাই পৰিছে টিংখাং বিধানসভা সমষ্টিত। সততে প্ৰতিখন সভাতে ৰাজ্যৰ গ্ৰামাঞ্চলত যাতায়াত, শিক্ষা, বিজুলী, খোৱাপানী আদি দিশত ব্যাপক উন্নয়ন হোৱা বুলি দম্ভালি মাৰি ৰাইজৰ সমাদৰ বুটলিবলৈ সক্ষম হোৱা মুখ্যমন্ত্ৰীজনৰ এবছৰীয়া কাৰ্যকালতো টিংখাঙৰ পিঠাপথাৰ আৰু কাকোৰনী গাঁৱত কৃপাদৃষ্টি নপৰাতো চৰম দুৰ্ভাগ্যজনক বুলি আখ্যা দিছে ৰাইজে। বৰ্তমানেও গাঁও দুখনৰ ৰাইজে জৰাজীৰ্ণ বাঁহৰ দলঙেৰে যাতায়াত কৰিবলগীয়া হোৱাতো চৰকাৰখনৰ বাবে নিশ্চয়কৈ লজ্জিত বিষয়ৰূপে পৰিগণিত হৈছে। গাঁও দুখনৰ যাতায়াতৰ একমাত্ৰ সংযোগী বাঁহৰ দলঙখন সম্প্ৰতি অতিশয় জৰাজীৰ্ণ হৈ পৰিছে। জৰাজীৰ্ণ ঢলং-পলং বাঁহৰ দলঙে



এতিয়া যাতায়াতৰ শেষ ভৰসা গাঁৱবাসীৰ। মৰণত শৰণ দি অতি বিপদসংকুলভাৱে যাতায়াত কৰিবলগীয়া হয় ইয়াৰ ৰাইজে। সমষ্টিটোৰ ৰাজগড় পঞ্চায়তৰ অন্তৰ্গত পিঠাপথাৰ আৰু কাকোৰনী গাঁও সংযোগী জৰাজীৰ্ণ দলঙখনৰ বাবে দীৰ্ঘদিনে জীয়াতু ভুগি আহিছে অঞ্চলটোৰ ৰাইজে। বহুবাৰ দলঙখন পকীকৰণৰ বাবে আবেদন-নিবেদন কৰিও ভাগৰি পৰিছে গাঁৱবাসী। উল্লেখ্য যে দিহৈ নৈৰ ওপৰত অৱস্থিত ভগ্ন বাঁহৰ দলঙৰ ওপৰেদি ছাত্ৰ-ছাত্ৰীসকলে অতি বিপদসংকুলভাৱে বিভিন্ন বিদ্যালয়লৈ-মহাবিদ্যালয়লৈ অহা-যোৱা কৰিব লগা হয়। আনহাতে, বিধ্বস্ত দলঙখনৰ বাবেই গাঁওখনলৈ সোমাব নোৱাৰে চাৰিচকীয়া গাড়ী, নাহে এম্বুলেন্স। ফলত ৰোগী অথবা প্ৰসূতিসকলে বছৰ-বছৰ ধৰি যমৰ যন্ত্ৰণা ভোগ কৰি আহিছে। ৰাইজে প্ৰতি বছৰে গাঁঠিৰ ধন ভাঙি মেৰামতি কৰিব লগা হয় বাঁহৰ দলঙখন। মন কৰিবলগীয়া যে পূৰ্বৰ কংগ্ৰেছ চৰকাৰ, সৰ্বানন্দ সোণোৱালৰ চৰকাৰ আৰু ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ এবছৰীয়া কাৰ্যকালতো কিয় উক্ত গাঁওবাসীয়ে এখন পকী স্থায়ী দলঙৰ ক্ষেত্ৰত সুফল লাভ নকৰিলে বুলি প্ৰতিজনৰ মনত প্ৰশ্ন উত্থাপন হৈছে। এনে পৰিপ্ৰেক্ষিতত অতি শীঘ্ৰে এখন স্থায়ী দলং নিৰ্মাণ কৰি ৰাইজৰ দুখ-দুৰ্দশাৰ অন্ত পেলাবৰ বাবে স্থানীয় বিধায়ক তথা মন্ত্ৰী বিমল বৰাৰ ওচৰত দাবী জনাইছে স্থানীয় বাসিন্দাসকলে ।

# ছাত্ৰ-ছাত্ৰীসকলে শাৰীৰিক-মানসিক বিকাশতো গুৰুত্ব দিব লাগে

## নগাঁও গোপীনাথ দেৱগোস্বামী বাণিজ্য মহাবিদ্যালয়ত এনচিচিৰ শাখা মুকলি

**বিশেষ সংবাদদাতা**

**নগাঁও, ১১ মে' ঃ** 'ছাত্ৰ-ছাত্ৰীসকলে অকল পাঠ্যক্ৰমৰ শিক্ষা গ্ৰহণত ব্যস্ত নাথাকি অন্যান্য দিশতো জ্ঞান আহৰণ কৰি নিজৰ প্ৰতিভা বিকাশ সাধন কৰাৰ চেষ্টা কৰিব লাগে। বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলে শাৰীৰিক আৰু মানসিক বিকাশত গুৰুত্ব প্ৰদান কৰি আগবাঢ়ি গ'লে নিজৰ ব্যক্তিত্ব বিকাশ সাধনত বহুখিনি সহায়ক হয়।' এই মন্তব্য অষ্টম অসম বেটেলিয়নৰ কমাণ্ডিং বিষয়া কৰ্ণেল অমৰ সিঙৰ। নগাঁও গোপীনাথ দেৱগোস্বামী বাণিজ্য মহাবিদ্যালয়ত কালি ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী চমুকৈ এনচিচিৰ এটি শাখা মুকলি কৰি এই মন্তব্য কৰি কৰ্ণেল সিঙে লগতে আৰু কয় যে এনচিচি হৈছে যুৱক-যুৱতীসকলৰ বাবে অকল ভাৰতবৰ্ষৰেই নহয় বিশ্বৰ আটাইতকৈ ডাঙৰ অনুষ্ঠান। গতিকে তেওঁলোকে ইয়াত জড়িত হৈ দেশ মাতৃৰ হকে সেৱা কৰাৰ সুযোগ লাভ কৰিব পাৰে। এনচিচি শাখা মুকলি অনুষ্ঠান উপলক্ষে অনুষ্ঠিত সভাত মহাবিদ্যালয়খনৰ অধ্যক্ষ মৃগাংক শইকীয়ায়ো ভাষণ দিয়ে। মহাবিদ্যালয়খনৰ অধ্যাপিকা বন্তি কলিতাই আঁত ধৰা অনুষ্ঠানত সেনা মেডেল প্ৰাপ্ত এনচিচিৰ প্ৰশাসনিক বিষয়া সুখদেৱ সিং, মহাবিদ্যালয়খনৰ উপাধ্যক্ষ প্ৰশান্ত হাজৰিকা, চুবেদাৰ মেজৰ ক্ৰমে তেৰিং ককপা, অখিলেষ কুমাৰ, টি বৰুৱা, সাংবাদিক নাজিম আহমেদ, মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীবৃন্দৰ লগতে বিভিন্ন বিদ্যালয়ৰ এনচিচি বিষয়াসকলৰ লগতে ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। অনুষ্ঠানৰ লগত সংগতি ৰাখি মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা এক সাংস্কৃতিক অনুষ্ঠানো অনুষ্ঠিত হয়।

# পানীদিহিং পক্ষী অভয়াৰণ্যত কণীযুক্ত মৎস্য নিধন

## ■ নিদ্ৰাৰত বন বিভাগ ■ জিলা প্ৰশাসনক ব্যৱস্থা গ্ৰহণৰ দাবী ৰাইজৰ



*বিভিন্ন সমস্যা সমাধানৰ দাবীত চিনামৰা বাগিচাৰ তিনিটা শাখাৰ শ্ৰমিকৰ ধৰ্ণা কাৰ্যসূচী।*

**অগ্ৰদূত বাৰ্তা**

**দিচাংমুখ, ১১ মে' ঃ** শিৱসাগৰ বন সংমণ্ডল প্ৰাধিকাৰীৰ কাৰ্যালয়ৰ অন্তৰ্গত পানীদিহিং পক্ষী অভয়াৰণ্যত বিগত এটা মাহ ধৰি ব্যাপক হাৰত থলুৱা প্ৰজাতিৰ কণীযুক্ত মাছ নিধন কৰাৰ তথ্য পোহৰলৈ আহিছে। অভয়াৰণ্যখনৰ কাষৰীয়া একাংশ লোকে ফাঁচীজাল পাতি থলুৱা প্ৰজাতিৰ কণীযুক্ত ৰৌ, মালী, কুঁহি, ভাঙন, বৰালি, পুঠি, খলিহনা, বামি, গৰৈ আদি মাছ নিধন কৰি শিৱসাগৰ নগৰৰ লগতে ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলবিলাকত বিক্ৰী কৰি আহিছে। উল্লেখ্য যে অসম চৰকাৰৰ মীন বিভাগে এক এপ্ৰিলৰ পৰা ৩১ অক্টোবৰলৈকে ১৯৫৩ (সংশোধিত ২০০৫) অনুসৰি এক এপ্ৰিলৰ পৰা ৩১ জুলাইলৈকে কণী থকা গাভিনী মাছ ধৰা আৰু এক আগষ্টৰ পৰা ৩১ অক্টোবৰ পৰ্যন্ত অপৰিণত অৱস্থাত থকা মাছ ধৰি খোৱা অথবা বিক্ৰী কৰাৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰিছে। মীন আইন অনুসৰি এক এপ্ৰিলৰ পৰা ১৫ জুলাইলৈকে সাত বৰ্গ ছেণ্টিমিটাৰ/১৪ ছেণ্টিমিটাৰতকৈ কমা পাহিৰ বেৰ জাল, মহাজাল, ফাঁচীজাল বা অন্য ঘোষিত মীন মহলতচ জাল মৰাৰ ক্ষেত্ৰত নিষিদ্ধ কৰিছে। এক মে'ৰ পৰা ১৫ জুলাইলৈকে ৰৌ, বাহু, মিৰিকা, মালি, চিতল, পিঠিয়া, ঘৰীয়া আৰু কুঁহি প্ৰজাতিৰ কণী থকা গাভিনী মাছ ঘোষিত মীন মহলত ধৰাটো নিষিদ্ধ। এক আগষ্টৰ পৰা ৩১ অক্টোবৰলৈ ৰৌ, বাহু, মিৰিকা, মালি, চিতল, পিঠিয়া, ঘৰীয়া আদি মাছ ২৩ ছেণ্টিমিটাৰ দৈৰ্ঘতকৈ তলৰ আৰু মালী মালী, ভাঙন, কুঁহি মাছৰ ১০ ছেণ্টিমিটাৰ দৈৰ্ঘতকৈ কম মাছ খোৱা অথবা বেচাৰ বাবে ধৰাটো বন্ধ। এক মে'ৰ পৰা ৩১ জুলাইলৈকে কোনো নদী, ডুবা, বিল বা মীন মহলত সাত বৰ্গ ছেণ্টিমিটাৰতকৈ ফাঁকৰ অস্থাৰৰ বান (বাঁহেৰে তৈয়াৰী মাছ ধৰা সঁজুলি) মাছ ধৰাৰ বাবে ব্যৱহাৰ কৰিব নোৱাৰিব। এই আইন ভংগকাৰীক অসম চৰকাৰৰ মীন আইনৰ ২২ নম্বৰ আৰু ৪১ নম্বৰ ধাৰা অনুসৰি আইন ভংগকাৰীসকলক জৰিমণা বিহাৰ লগতে ব্যৱহাৰ হোৱা জাল আৰু অন্যান্য মাছ ধৰা সঁজুলি বাজেয়াপ্ত কৰা হ'ব। ভাৰতীয় মীন আইন ১৮৯৭ৰ ধাৰা সাত মীন আইন ১৯৫৩ৰ ২৭ নম্বৰ ধাৰা অনুসৰি উক্ত আইন ভংগকাৰীক গ্ৰেপ্তাৰ কৰাৰ উপৰি শাস্তি প্ৰদান কৰা হ'ব। মীন বিভাগৰ এই সকলো আইনক বুঢ়া আঙুলি প্ৰদৰ্শন কৰি একাংশ লোকে অবাধ গতিত মাছ ধৰাৰ পাছতো শিৱসাগৰ বন বিভাগৰ লগতে মীন বিভাগ গভীৰ নিদ্ৰাহৰণ। যাৰ বাবে প্ৰতিবছৰে থলুৱা প্ৰজাতিৰ মাছৰ সংখ্যা হ্ৰাস পাই আহিছে। আনকি মীন বিভাগৰ কাৰ্যালয়ৰ তলতে থকা এখন দৈনিক বজাৰত প্ৰতিদিনে কণীলগা মাছ নিধন কৰি বজাৰত বিক্ৰী কৰি আহিছে। এই ক্ষেত্ৰত ৰাইজে জিলা উপায়ুক্তক ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

# কৃষ্ণাইৰ আমগুৰিপাৰাত ডিৰ্মা ৰাভা জামাতৰ প্ৰতিষ্ঠা দিৱস পালন



**অগ্ৰদূত বাৰ্তা**

**কৃষ্ণাই, ১১ মে' ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাই আৰক্ষী থানাৰ অন্তৰ্গত আমগুৰিপাৰাত কালি দিনজোৰা কাৰ্যসূচীৰে ডিৰ্মা ৰাভা জামাতৰ প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। আমগুৰিপাৰাত থকা জামাতৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত আজিৰ প্ৰতিষ্ঠা দিৱসৰ পুৱা জামাতৰ পতাকা উত্তোলন কৰে সভাপতি নিকুঞ্জ বিহাৰী ৰাভাই। স্মৃতি তৰ্পণ কৰে ডিৰ্মা ৰাভা জামাত মহিলা সমিতিৰ সভানেত্ৰী ৰেবিকা ৰাভাই। ইয়াৰ পাছতে বৃক্ষৰোপণ কৰে জামাতৰ সম্পাদক ৰঞ্জিত কুমাৰ ৰাভা আৰু মহিলা সমিতিৰ সম্পাদিকা নিলিমণি ৰাভাই। সোঁৱৰণী সভা মুকলি কৰে জামাতৰ উপদেষ্টা প্ৰদীপ কুমাৰ ৰাভাই। আবেলি পতাকা অৱতৰণ কৰে জামাতৰ সহকাৰী সম্পাদক ৰবীন্দ্ৰ ৰাভাই। ইফালে, আজিৰ প্ৰতিষ্ঠা দিৱসত আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ চাৰুমোহন ৰাভা। ৰাভাই কয় যে ১৯৫৯ৰ ১০ মে'ত বনগাঁও প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত এক বৈঠকত ডিৰ্মা ৰাভা জামাত গঠিত হৈছিল। ডিৰ্মা ৰাভা জামাত হৈছে বৃহত্তৰ দুধনৈ পশ্চিমাঞ্চল ৰাভা সন্মিলনৰ নটা শাখাৰ ভিতৰুৱা এটা উল্লেখযোগ্য শাখা। ৰাভাই ভাষণ প্ৰসংগত ৰাভা জাতিটোৰ সৰ্বাংগীণ উন্নতি কামনা কৰে।

# নাগপঞ্চমী পূজা পৰিচালনা সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ১১ মে' ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ আৰক্ষী থানাৰ অন্তৰ্গত দেহাৰকুছি গাঁৱত অৱস্থিত ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীমনসাপীঠত অহা শাওণত অনুষ্ঠিত হ'ব লগা ৰাজহুৱা শ্ৰীশ্ৰীনাগপঞ্চমী পূজা পৰিচালনা সমিতিখন যোৱা আঠ মে'ৰ সন্ধিয়া অনুষ্ঠিত হোৱা সাধাৰণ সভাত গঠন কৰা হয়। সন্ধিয়া মনসাপীঠ প্ৰাংগণত পীঠ পৰিচালনা সমিতিৰ সভাপতি শৈলেন শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাত ধীৰেন শৰ্মাক সভাপতি, অৱনী গোস্বামীক উপ-সভাপতি, বিজুফুকন শৰ্মাক সম্পাদক, ৰূপম শৰ্মা আৰু ৰাতুল শৰ্মাক সহকাৰী সম্পাদকৰূপে লৈ পৰিচালনা সমিতিখন গঠন কৰে।

# সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাশীল হোৱাৰ আহ্বান

## বনমাঝা সত্ৰত নৱনিৰ্মিত নামঘৰত গুৰু আসন প্ৰতিষ্ঠা

**অগ্ৰদূত বাৰ্তা**

**দুনী, ১১ মে' ঃ** দৰঙৰ বনমাঝা সত্ৰৰ নৱ নিৰ্মিত নামঘৰত গুৰু আসন প্ৰতিষ্ঠা আৰু নতুন নামঘৰৰ দ্বাৰ উদ্‌ঘাটন কৰা হয়। যোৱা সাত মে'ত ৰাজ্য চৰকাৰৰ অসম দৰ্শন আঁচনিৰ ১০ লাখ আৰু বনমাঝা গাঁও পঞ্চায়তৰ তিনি লাখ টকাৰে নতুনকৈ নিৰ্মাণ কৰা হয় ১১৯ বছৰীয়া সত্ৰখন। সমাজকৰ্মী ৰমাকান্ত বৰুৱাই নামঘৰৰ দ্বাৰ উদ্‌ঘাটন কৰাৰ পাছতে এক উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰে সত্ৰ চৌহদ। ভক্ত দৰ্শনাৰ্থীৰ ভিৰে পুণ্য তীৰ্থত পৰিণত কৰে বনমাঝা সত্ৰ। গুৰু আসন প্ৰতিষ্ঠা আৰু নামঘৰ উদ্বোধন উপলক্ষে অনুষ্ঠিত হয় এক ধৰ্মালোচনী সভা। অৱসৰপ্ৰাপ্ত কৰ্মচাৰী প্ৰমোদ চহৰীয়াই সভাপতিত্ব কৰা সভা উদ্বোধন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক হৰেণ চহৰীয়াই। সত্ৰ পৰিচালনা সমিতিৰ সম্পাদক দেবেন চহৰীয়াই আঁত ধৰা সভাত ছিপাঝাৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়াই মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি ধৰ্ম-সংস্কৃতিৰ বিষয়ে আলোকপাত কৰাৰ লগতে গতিশীল পৰিশীলিত এখন সমাজ গঢ়াত সত্ৰ নামঘৰৰ ভূমিকা অপৰিসীম বুলি উল্লেখ কৰে। নতুন প্ৰজন্মক আমাৰ সংস্কৃতি আৰু ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধাশীল হোৱাৰ আহ্বান জনায়। পশ্চিম দৰঙৰ জ্যেষ্ঠ সাংবাদিক লক্ষ্যধৰ শইকীয়াই অনুষ্ঠানত অংশগ্ৰহণ কৰি সত্ৰ-নামঘৰ অসমৰ সমাজ জীৱনৰ হৃদপিণ্ড বুলি উল্লেখ কৰি ধৰ্ম সংস্কৃতি চৰ্চাৰ অনুশীলনৰ অন্যতম তীৰ্থ সত্ৰ নামঘৰে অসমৰ জীৱনক সদায় বাট দেখুৱাই আহিছে বুলি কয়। বনমাঝা গাঁও পঞ্চায়তৰ সভাপতি উদ্ধৱ ডেকা, দেৱকান্ত বৰুৱা প্ৰমুখ্যে কে'বাজনো বিশিষ্ট ব্যক্তিয়ে চমু ভাষণ আগবঢ়ায়। উল্লেখ্য যে অঞ্চলটোৰ পৌৰাণিক এই সত্ৰখনে ধৰ্ম সংস্কৃতিৰ ক্ষেত্ৰত বিশিষ্ট ভূমিকা গ্ৰহণ কৰি আহিছে।

# তিতাবৰত বিজেপি চৰকাৰৰ বৰ্ষপূৰ্তি অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**

**তিতাবৰ, ১১ মে' ঃ** ডº হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰৰ প্ৰথমটো কাৰ্যকালৰ বৰ্ষপূৰ্তি উপলক্ষে কালি তিতাবৰ পৌৰসভাইও উদ্‌যাপন কৰে। তিতাবৰ পৌৰসভাই বৰ্ষপূৰ্তি উপলক্ষে সন্ধিয়া তিতাবৰৰ বিভিন্ন স্থানত ৩৬৫ গছি বন্তি জ্বলাই বৰ্ষপূৰ্তি উদ্‌যাপন কৰে। সন্ধিয়া তিতাবৰ পৌৰসভাৰ কাৰ্যালয়ত বন্তি প্ৰজ্বলন কৰাৰ উপৰি সমগ্ৰ কাৰ্যালয়তো আলোকসজ্জাৰে আলোকিত কৰি তোলে। পৌৰপতি ৰূপা দত্ত শইকীয়া আৰু উপ-পৌৰপতি ডম্বৰুধৰ শইকীয়াই হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ এবছৰীয়া কাৰ্যকালৰ বিৱৰণি দাঙি ধৰে। ইয়াৰ উপৰি পৌৰসভাৰ নেতত্বত বিজেপিৰ কাৰ্যালয়, তিতাবৰৰ গান্ধীপাৰ্ক, তিতাবৰ ন-আলিত, তিতাবৰ পাব্লিক ক্লাবৰ বিজেপিৰ অসম প্ৰদেশৰ তৃতীয়গৰাকী ৰাজ্যিক সভাপতি চক্ৰেশ্বৰ শইকীয়াৰ প্ৰতিমূৰ্তি আৰু তিতাবৰ তিনিআলিতো বন্তি প্ৰজ্বলন কৰি ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰে।

# শক্তি আশ্ৰমত এপিএছচি-ইউপিএছচি পৰীক্ষাৰ সজাগতা অনুষ্ঠান



**অগ্ৰদূত বাৰ্তা**

**দোতমা, ১১ মে' ঃ** কোকৰাঝাৰ জিলাৰ শক্তি আশ্ৰম শংকৰদেৱ শিশু নিকেতনত এছ বি ফাউণ্ডেছনৰ উদ্যোগত কালিৰে পৰা আৰম্ভ হৈছে এপিএছচি আৰু ইউপিএছচি পৰীক্ষাৰ প্ৰস্তুতিৰ এক সজাগতা অনুষ্ঠান। উক্ত অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি পুৱা উদ্বোধনী অনুষ্ঠানত উপস্থিত হৈ কোকৰাঝাৰ জিলাৰ উপায়ুক্ত বৰ্ণালী ডেকাই শিক্ষাৰ্থীসকলৰ লগত মতবিনিময় কৰি এপিএছচি আৰু ইউপিএছচিৰ পৰীক্ষাৰ প্ৰস্তুতি সম্পৰ্কে আলোচনা কৰে। প্ৰথম দিনৰ কাৰ্যসূচীত এছ বি ফাউণ্ডেছনৰ আহ্বায়ক নীৰদ বৰ্মন, শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্য নীলৰঞ্জন ৰায় আদি উপস্থিত থাকে। উক্ত অনুষ্ঠান অহা ১৪ মে'লৈ অনুষ্ঠিত হ'ব।

# তামুলপুৰত ইউপিপিএল-বিজেপিৰ বন্তি প্ৰজ্বলন

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ১১ মে' ঃ** ডº হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি মিত্ৰজোঁটৰ চৰকাৰে কালি এবছৰ সম্পূৰ্ণ কৰিলে. মিত্ৰজোঁটৰ চৰকাৰখনৰ বৰ্ষপূৰ্তি উপলক্ষে সন্ধিয়া তামুলপুৰ জিলা সদৰ মটঙা চ'কত ইউপিপিএল গয়বাৰী ব্লক সমিতিৰ লগতে গয়বাৰী মণ্ডল বিজেপিৰ উদ্যোগত এক বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বন্তি প্ৰজ্বলন কাৰ্যসূচীত বিটিআৰৰ মনোনীত সদস্য হেমন্ত কুমাৰ ৰাভাই কয় যে ডº হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন মিত্ৰজোঁট চৰকাৰখনে সফলতাৰে আজি এবছৰ পূৰ্ণ কৰাত আমি সুখী হৈছো। দলীয় কৰ্মকৰ্তাসকলৰ সহায়-সহযোগে আমাক যথেষ্টখিনি সাহস দিছে। মিত্ৰজোঁটৰ চৰকাৰখনে আগন্তুক দিনত সমন্বয়ৰ বাট বান্ধি জাতি-জনগোষ্ঠীৰ মাজত উন্নয়নৰ যাত্ৰা অব্যাহত ৰাখক এয়ে কামনা কৰিছো। তামুলপুৰ জিলা ইউপিপিএলৰ সাংগঠনিক সম্পাদক মহেন্দ্ৰ ৰাভাই আঁত ধৰা অনুষ্ঠানত তামুলপুৰ জিলা উপ-সভাপতি বসন্ত তালুকদাৰ, সাধাৰণ সম্পাদক গণেশ নাথ, গয়বাৰী ব্লক সমিতিৰ সভাপতি নৰহৰি মহন্ত সম্পাদক কবিন চন্দ্ৰ বসুমতাৰী, গয়বাৰী মণ্ডল বিজেপিৰ সাধাৰণ সম্পাদক অম্বৰ ছেত্ৰী, সম্পাদক বিমল হাজৰিকা প্ৰমুখ্যে মিত্ৰজোঁট দলীয় নেতা-কৰ্মীসকল উপস্থিত থাকে।

# ওদালগুৰিতো ৰেডক্ৰছ দিৱস পালন

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ১১ মে' ঃ** বিভিন্ন প্ৰান্তৰ লগতে যোৱা আঠ মে'ত ওদালগুৰিতো বিশ্ব ৰেডক্ৰছ দিৱস পালন কৰা হয়। দিৱসৰ স'তে সংগতি ৰাখি ওদালগুৰি ৰেডক্ৰছ শাখাৰ উদ্যোগত ওদালগুৰিৰ বাপুজী নগৰ প্ৰাথমিক বিদ্যালয় চৌহদত গছপুলি ৰোপণ কৰা হয়। ইয়াৰ সমান্তৰালভাৱে উক্ত স্থানতে সংস্থাটোৰ ওদালগুৰি শাখাই তেওঁলোকৰ অন্তৰ্গত আজীৱন সদস্যসকলৰ মাজত প্ৰমাণপত্ৰ বিতৰণ কৰে। অনুষ্ঠানত ওদালগুৰি শাখাৰ অধ্যক্ষ-সম্পাদক ক্ৰমে ডালিম বায়ন, মিলন দাস, বিদ্যালয়খনৰ শিক্ষক হৰেশ্বৰ শৰ্মাৰ লগতে ৰেডক্ৰছৰ একাধিক সদস্য উপস্থিত থাকে।

# যোৰহাটত শিশু শ্ৰমিক-বাল্য বিবাহ প্ৰতিৰোধ সম্পৰ্কত সজাগতা সভা



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ১১ মে' ঃ** যোৰহাট জিলা প্ৰশাসনৰ উদ্যোগত তথা শ্ৰম, শিক্ষা, সমাজ কল্যাণ, স্বাস্থ্য, শিশু সুৰক্ষা, আৰক্ষী আৰু স্বেচ্ছাসেৱী অনুষ্ঠানৰ সহযোগত কালি শিশু শ্ৰমিক আৰু বাল্য বিবাহ প্ৰতিৰোধ সম্পৰ্কে টীয়ক কলিয়াপানী উন্নয়ন খণ্ডৰ অন্তৰ্গত ন নম্বৰ বলমা গাঁও পঞ্চায়তত এখন সজাগতা সভা অনুষ্ঠিত কৰা হয়। যোৰহাট জিলাৰ অতিৰিক্ত উপায়ুক্ত তথা সমাজ কল্যাণ বিভাগৰ ন'ডেল বিষয়া কবিতা কাকতি কোঁৱৰৰ সভাপতিত্বত অনুষ্ঠিত সভাত স্থানীয় ৰাইজক শিশু শ্ৰম আৰু বাল্য বিবাহৰ অপকাৰিতাৰ বিষয়ে অৱগত কৰা হয়। শিশু শ্ৰমিক আৰু বাল্য বিবাহ প্ৰতিৰোধ সম্পৰ্কত সভাত বহলাই আলোচনা কৰাৰ লগতে সমূহ ৰাইজক ইয়াৰ প্ৰতিৰোধ কৰি এই ব্যাধি দূৰ কৰিবৰ বাবে সকলোৰে সহযোগিতা বিচৰা হয়। সভাত অতিৰিক্ত উপায়ুক্তই পিতৃ-মাতৃসকলক তেওঁলোকৰ শিশুসকলক শিক্ষা গ্ৰহণৰ প্ৰতি অধিক মনোনিবেশ কৰোৱাবলৈ আহ্বান জনোৱাৰ লগতে শিশু শ্ৰম আৰু বাল্য বিবাহৰ পৰা বিৰত ৰাখিবলৈ আহ্বান জনায়। সভাত টীয়ক ৰাজহ চক্ৰ (সংলগ্ন) বিষয়া নীলোৎপলাক্ষী বৰা, সহকাৰী শ্ৰম আয়ুক্ত জগত জীৱন দত্ত, সমাজ কল্যাণ বিষয়া ৰাজকুমাৰ কেডিয়া, শিশু সুৰক্ষা বিষয়া স্বপ্নালী ভূএগ্ৰা, সংশ্লিষ্ট খণ্ড উন্নয়ন বিষয়াসকল, টীয়ক আৰক্ষী চকীৰ উপ-পৰিদৰ্শকৰ লগতে সংশ্লিষ্ট বিভাগসমূহৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

# আজিৰ পৰা গৌৰৱ নগৰত অবিৰত ভাগৱত পাঠ

**অগ্ৰদূত বাৰ্তা**

**দিচাংমুখ, ১১ মে' ঃ** গৌৰৱ নগৰ বৰনামঘৰ পৰিচালনা সমিতিৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত অহা ১২ৰ পৰা ১৬ মে'লৈকে গৌৰৱ নগৰ বৰনামঘৰৰ প্ৰাংগণত অবিৰত ভাগৱত পাঠৰ আয়োজন কৰা হৈছে। কাইলৈৰ কাৰ্যসূচী হিচাপে পুৱা প্ৰাতঃপ্ৰসংগ, চাফাই অভিযান, ধৰ্মধ্বজা, উত্তোলন, ভাগৱত ভ্ৰমণ, নাম-প্ৰসংগৰ পাছতে অবিৰত ভাগৱত পাঠৰ আৰম্ভ হ'ব। ১৬ মে'ৰ কাৰ্যসূচী হিচাপে দিনৰ ১১ বজাত নাম-প্ৰসংগ আৰু নিশালৈ গৌৰৱ নগৰ শিল্পী সমাজে পৰিৱেশন কৰিবলগীয়া 'মৎস্য অৱতাৰ চাৰিবেদ উদ্ধাৰ' ভাওনা প্ৰদৰ্শন কৰা হ'ব বুলি নামঘৰ পৰিচালনা সমিতিৰ সম্পাদক প্ৰফুল্ল শইকীয়াই জানিবলৈ দিছে।

# বিশ্বনাথ নগৰৰ পৰা উদ্ধাৰ কৰা ১২ বছৰীয়া কিশোৰক লৈ বিপাঙত আৰক্ষী

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১১ মে' ঃ** এটি ১২ বছৰীয়া কিশোৰক লৈ বিপাঙত পৰিছে বিশ্বনাথ চাৰিআলি আৰক্ষী থানা। কালি কিশোৰজনে হাতত এটা কাপোৰ-কানিৰ বেগ লৈ বিশ্বনাথ নগৰত ঘূৰি ফুৰা অৱস্থাত প্ৰত্যক্ষ কৰে আৰক্ষীৰ দলে। আৰক্ষীৰ দলটোৱে কিশোৰজনক সোধ-পোছ কৰাতহে কিশোৰজনে নিজৰ ঠিকনা হেৰুৱাই পেলোৱাৰ কথা অৱগত হয়। আৰক্ষীৰ দলটিয়ে পাছত কিশোৰজনক বিশ্বনাথ চাৰিআলি সদৰ আৰক্ষী থানালৈ লৈ আহে। নিজৰ পৰিচয় সন্দৰ্ভত ভালকৈ আৰক্ষীক ক'ব পৰা নাই যদিও নিজৰ নাম বিৰচা মুণ্ডা বুলি সদৰী কৰিছে। পিতৃৰ ঘৰ শিৱসাগৰ জিলাৰ হুংগামৰা গাঁৱৰ গগৈ চাহ বাগিচাৰ বিজয় মুণ্ডা বুলি কৈছে। কিন্তু আৰক্ষীয়ে উক্ত ঠিকনাত যোগাযোগ কৰিছে যদিও কিশোৰজনৰ পৰিয়ালৰ সন্ধান লাভ কৰিবলৈ সক্ষম হোৱা নাই। ইতিমধ্যে বিশ্বনাথ চাৰিআলি সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জিত কুমাৰ ৰয়ে কিশোৰজনৰ অভিভাৱকৰ সন্ধান বিচাৰি বিভিন্ন আৰক্ষী থানাসমূহত যোগাযোগ কৰিছে।

আৰক্ষী বিষয়াজনে জনোৱা মতে, কিশোৰজনে মোমায়েকৰ লগত কোনো সম্পৰ্কীয়ৰ ঘৰত ফুৰিবলৈ ওলাই আহিছিল। কিন্তু ভুলক্ৰমে বেলেগ এখন গাড়ীত উঠে। যাৰ ফলত কিশোৰজন বিশ্বনাথ চাৰিআলিত উপস্থিত হৈ অনাই-বনাই ঘূৰি ফুৰিছিল। আৰক্ষী বিষয়াজনে কিশোৰজনৰ অভিভাৱকক বিচাৰি সংবাদ মাধ্যমৰ কাষ চাপি সহায়ৰ আহ্বান জনাইছে।

# মৰঙি আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থাৰ সপ্তম দ্বি-বাৰ্ষিক অধিবেশন সম্পন্ন



**অগ্ৰদূত বাৰ্তা**

**নুমলীগড়, ১১ মে' ঃ** সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা (আগছু)ৰ মৰঙি আঞ্চলিক সমিতিৰ সপ্তম দ্বি-বাৰ্ষিক অধিবেশন গোৰ্খাপট্টি ৰংবঙৰ ভানুভক্ত ৰংগমঞ্চ প্ৰাংগণত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি, পুৱা আগছুৰ পতাকা উত্তোলন কৰে মৰঙি আঞ্চলিকৰ সভাপতি সুভাষ কটোৱালে। অনুষ্ঠানত স্মৃতি তৰ্পণ কৰে সম্পাদক সুজিত ছেত্ৰীয়ে। ইয়াৰ পাছতে সুভাষ কটোৱালৰ সভাপতিত্বত অনুষ্ঠিত প্ৰতিনিধি সভাৰ উদ্বোধনী ভাষণ আগবঢ়ায় বিশিষ্ট সমাজকৰ্মী সূৰ্যবাহাদুৰ ছেত্ৰীয়ে। ভাষণ প্ৰসংগত ছেত্ৰীয়ে গোৰ্খা জনগোষ্ঠীৰ সমস্যা তথা সংগঠনৰ প্ৰয়োজনীয়তা সম্পৰ্কে বক্তব্য প্ৰদান কৰে। ইয়াৰ পাছতে সভাত জিলা আগছুৰ সভাপতি সঞ্জীৱ ছেত্ৰীয়ে বক্তব্য আগবঢ়াই ছাত্ৰ-কৰ্মীসকলক ছাত্ৰ সংগঠনৰ প্ৰয়োজনীয়তা তথা নিজৰ সমাজৰ প্ৰতি থাকিবলগীয়া দায়বদ্ধতা সম্পৰ্কে বক্তব্য প্ৰদান কৰে। একেদৰে জিলাৰ সহকাৰী সম্পাদক কৰ্ণ সিং লিম্বুয়ে ছাত্ৰ সংগঠনত নিয়মানুবৰ্তিতা আৰু সুসংস্কাৰৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোকপাত কৰে। ইয়াৰ পাছতে গোৰ্খা ছাত্ৰ সন্থাৰ অতীত-বৰ্তমান আৰু ভৱিষ্যৎ সম্পৰ্কে প্ৰতিনিধিসকলে আলোচনা কৰে।

# দেৰগাঁৱত ৰবীন্দ্ৰ জয়ন্তী উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**দেৰগাঁও, ১১ মে' ঃ** দেৰগাঁৱৰ অগ্ৰগামী বাঙালী মহিলা মঞ্চৰ উদ্যোগত দিনজোৰা বিস্তৃত কাৰ্যসূচীৰে দেৰগাঁও সাহিত্য সভা ভৱনত ১৬২ সংখ্যক ৰবীন্দ্ৰ জয়ন্তী উদ্‌যাপন কৰা হয়। এই উপলক্ষে অনুষ্ঠিত অনুষ্ঠানৰ আৰম্ভণিতে পতাকা উত্তোলন কৰে মঞ্চৰ কাৰ্যকৰী সভানেত্ৰী ববিতা ঘোষে। অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী লাটুমণি শইকীয়াই স্মৃতিতৰ্পণ কৰাৰ পাছত শংখধ্বনি, কবিতা, চিত্ৰাংকন আদি প্ৰতিযোগিতা অনুষ্ঠিত হয়। ইয়াৰ পাছতে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী অৱনী বৰঠাকুৰৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভাখনত অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী কৌশলা বৰাই নিৰ্দিষ্ট বক্তাৰূপে ভাগ লয়। গোলাঘাট জিলা মহিলা সমিতিৰ সভানেত্ৰী দেৱযানী মহন্ত, দেৰগাঁৱৰ লেখিকা সমাৰোহ সমিতিৰ কাৰ্যকৰী সভানেত্ৰী কল্পনা দত্ত বৰা, সম্পাদিকা অনিমা দেৱী বৰঠাকুৰ, দেৰগাঁৱৰ সাংবাদিক সংস্থাৰ সভাপতি বিচিত্ৰ ভূষণ কলিতা, সাহিত্য সভাৰ সম্পাদক অজিত চন্দ্ৰ দত্ত আদিয়ে বিশিষ্ট অতিথিৰূপে সভাত অংশগ্ৰহণ কৰে। অগ্ৰগামী বাঙালী মহিলা মঞ্চৰ সম্পাদিকা মঞ্জু ধৰে আঁত ধৰা সভাত প্ৰতিযোগিতাৰ বিজয়ীসকলকো বঁটা প্ৰদান কৰা হয়। বঁটা প্ৰদান অনুষ্ঠানৰ আঁত ধৰে ময়ূৰী বৰাই।

# পিতৃ-মাতৃয়ে সন্তানক সুনাগৰিক হিচাপে গঢ়ি তুলিবলৈ দায়বদ্ধ হোৱা উচিত

## ■ ৰণাকুছি-হেলচাপাৰ বিহুৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**

**টিহু, ১১ মে' ঃ** 'বিহু উৎসৱৰ মাজেৰে মানুহৰ মাজত মিলাপ্ৰীতি-ভ্ৰাতৃত্ববোধৰ এনাজৰীডাল অধিক কটকটীয়া হয়। কালি সন্ধিয়া টিহুৰ ৰণাকুছি-হেলচাপাৰা ৰঙালী বিহুৰ মুকলি সভাত এইদৰে কয় বৰমা সমষ্টিৰ বিধায়ক ভূপেন বড়োৱে। বিধায়কজনে ৰণাকুছি অঞ্চলৰ উন্নয়নৰ বাবে যথাসাধ্য চেষ্টা কৰিব বুলি উল্লেখ কৰে। ৰণাকুছি ৰঙালী বিহু উদ্‌যাপন সমিতিৰ সভাপতি জ্যোতিপ্ৰসাদ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত আৰু বিশিষ্ট সমাজকৰ্মী কৰুণা কলিতাই উদ্বোধন কৰা সভাত ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যক্ষ ডº মুকুন্দ শৰ্মাই কয় যে গাঁৱত জীৱন আছে, গাঁৱত সপোন আছে। গাঁৱত সংস্কাৰ আছে, গাঁৱতে জীৱনৰ মাদকতা আছে। সম্প্ৰতি পথাৰ সংকুচিত হৈছে। পথাৰৰ লগত জীৱনৰ সম্পৰ্কবোৰো দুৰ্বল হৈছে। গাঁৱৰ কৃষকে বিদ্যায়তনিক উন্নত সমাজ গঢ়াৰ সপোন দেখি সৰু সৰু সমাজবোৰৰ দায়িত্ব ল'লে। গাঁও উন্নত হ'ল, কিন্তু শিক্ষিতচাম গাঁও এৰি চহৰমুখী হ'ল আৰু গাঁৱৰ সম্প্ৰীতিৰ বান্ধোবোৰ লোপ পাবলৈ ধৰিলে। ৰঙালী বিহু উদ্‌যাপন সমিতিৰ উপদেষ্টা অজিত কুমাৰ শৰ্মাই পৰিচালনা কৰা সভাত হাৰিভাঙা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক তথা 'শ্যামলী স্বপ্ন'ৰ অধিকৰ্তা গোবিন্দ চন্দ্ৰ ভাগৱতীয়ে কয় যে শ্ৰদ্ধা-ভক্তি অবিহনে বিহুৰ প্ৰকৃত দিশটো পৰিস্ফুট নহয়। কিন্তু এতিয়া বিহু আনন্দ উৎসৱত পৰিণত হৈছে। পিতৃ-মাতৃ গুৰুজনাৰ প্ৰতি শ্ৰদ্ধা-ভক্তি লোপ পাইছে। যাৰ ফলত ঠায়ে ঠায়ে বৃদ্ধাশ্ৰমৰ সংখ্যা বৃদ্ধি পাইছে। তাৰ বাবে কিছু পৰিমাণে অভিভাৱকসকলো দায়ী। আমি কেৱল সতি-সন্ততিক ডাক্তৰ-ইঞ্জিনিয়াৰ কৰাৰ চিন্তা কৰি সু-সংস্কাৰ দিয়াৰ কথা পাহৰি যাওঁ। যাৰ ফল পাছত আমি নিজেই ভোগ কৰিবলগীয়া হয়। সেয়ে পিতৃৰ লগতে মাতৃসকলে সন্তানক সুনাগৰিক হিচাপে গঢ়ি তুলিবলৈ দায়বদ্ধ হোৱা উচিত। ভাগৱতীয়ে সভাপতিৰ হাতত এটি বকুলৰ পুলি অৰ্পণ কৰাৰ লগতে পুলিটো সুৰক্ষা দিবলৈ আৰ্থিক বৰঙণি আগবঢ়াই সকলোকে উৎসৱ-পাৰ্বণ, পৰিয়ালৰ সদস্যৰ জন্মদিনত গছপুলি ৰোপণ কৰিবলৈ আহ্বান জনায়। ৰণাকুছি ৰঙালী বিহু উদ্‌যাপন সমিতিৰ সম্পাদক জোন ভট্টই উদ্দেশ্য ব্যাখ্যা কৰা আৰু সাংস্কৃতিক সম্পাদক মণি বৈশ্যই প্ৰতিবেদন পাঠ কৰা সভাখনত শিক্ষক পৰেশ বড়ো, সমাজকৰ্মী আতোৱাৰ ৰহমান, অৰূপ কলিতা আদিয়ে অংশগ্ৰহণ কৰে। উক্ত সভাতে পহিলা ব'হাগত বিহু পতাকা উত্তোলনৰ পাছত আৰম্ভ কৰা বিভিন্ন প্ৰতিযোগিতাৰ বঁটাসমূহ প্ৰদান কৰা হয়। ইয়াৰ পাছত সমবেত সংগীতেৰে আৰম্ভ কৰা আৰু নিমন্ত্ৰিত শিল্পী অখিল ভৈৰৱ, সংগীতা ভাৰতী, মিছ স্মৃতিৰেখা আদিয়ে গীত পৰিৱেশন কৰাৰ উপৰি বৰদৈচিলা হুঁচৰি দলে বিহু হুঁচৰি পৰিৱেশন কৰা সাংস্কৃতিক অনুষ্ঠান নিশা সামৰণি পৰে। আনহাতে, মুকলি বিহুৰ আগদিনা সাত মে'ৰ সন্ধিয়া শিল্পী-গীতিকাৰ হেমন্ত তালুকদাৰে উদ্বোধন কৰা সাংস্কৃতিক অনুষ্ঠানত স্থানীয় শিল্পীসকলে গীত-নৃত্য পৰিৱেশন কৰে। উল্লেখ্য যে আঠ মে'ৰ মুকলি সভাৰ পূৰ্বে ৰণাকুছি হৰি মন্দিৰ সমিতি আৰু ৰণাকুছি মনসা পূজা পৰিচালনা সমিতিয়ে বিধায়ক বড়োক গামোচা, জাপি, মানপত্ৰ, শৰাই আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰে।

# ক'ভিডৰ তথ্য গোপন কৰাৰ বিৰুদ্ধে গোৱালপাৰাত যুৱ কংগ্ৰেছৰ প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১১ মে' ঃ** চৰকাৰে ক'ভিড-১৯ত মৃত্যুৰ তথ্য গোপন কৰাৰ বিৰুদ্ধে কালি গোৱালপাৰাত যুৱ কংগ্ৰেছে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। গোৱালপাৰা জিলা কংগ্ৰেছ কাৰ্যালয়ৰ সন্মুখত প্ৰদেশ যুৱ কংগ্ৰেছৰ সম্পাদক ৰাকেশ চক্ৰৱৰ্তীৰ নেতৃত্বত যুৱ কংগ্ৰেছৰ কৰ্মীসকলে সমবেত হৈ 'বিজেপি চৰকাৰ মুৰ্দাবাদ, নৰেন্দ্ৰ মোদী মুৰ্দাবাদ, হিমন্ত বিশ্ব শৰ্মা মুৰ্দাবাদ, ক'ভিডৰ তথ্য লুকাই ৰখা বিজেপি চৰকাৰ মুৰ্দাবাদ' আদি বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে যুৱ কংগ্ৰেছী নেতা ৰাকেশ চক্ৰৱৰ্তীয়ে কয় যে বিশ্ব স্বাস্থ্য সংস্থাৰ মতে ভাৰতত ক'ভিডত আক্ৰান্ত হৈ ৪৭ লাখ মানুহৰ মৃত্যু হৈছিল। কিন্তু ভাৰত চৰকাৰে প্ৰকৃত তথ্য গোপন কৰি ক'ভিডত মাত্ৰ ৪.৮ লাখ মানুহৰ মৃত্যু হোৱা বুলি দেখুৱাইছে। এইদৰে ক'ভিডৰ তথ্য লুকোৱা চৰকাৰক ক্ষুৰধাৰ সমালোচনা কৰে যুৱ নেতাজনে।





# আজিৰে পৰা নাগ্ৰীজুলিত ৪৮ সংখ্যক বসন্ত উৎসৱ

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ১১ মে' ঃ** কাইলৈৰ পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে নাগ্ৰীজুলিত আঞ্চলিক ভিত্তিত ৪৮ সংখ্যক বসন্ত উৎসৱ উদ্‌যাপনকৰা হ'ব। ইতিমধ্যে চক্ৰ বাহাদুৰ চৌহানক সভাপতি আৰু অচিন্ত্য শৰ্মাক সম্পাদক হিচাপে লৈ উদ্‌যাপন সমিতিখন গঠন কৰা হৈছে। কাৰ্যসূচী অনুসৰি, কাইলৈ পুৱা চাফাই অভিযান, উদ্‌যাপনস্থলীৰ মুখ্যদ্বাৰ মুকলি, ৪৮ খন পতাকা উত্তোলন, ছহিদ তৰ্পণ, বৃক্ষৰোপণ, আৰু আবেলি মুকলি বিহু প্ৰদৰ্শন কৰা হ'ব। ১৩ মে'ৰ সন্ধিয়া মঞ্চত বন্তি প্ৰজ্বলন, সন্ধিয়া নৃত্য প্ৰদৰ্শন, হাংগামা কৌতুক গোষ্ঠীৰ দ্বাৰা কৌতুক অভিনয় আৰু নিশা আমন্ত্ৰিত শিল্পীৰ দ্বাৰা সংগীত পৰিবেশন কৰা হ'ব। বিহুৰ দুয়ো দিনৰ কাৰ্যসূচীৰ সফল ৰূপায়ণৰ বাবে সকলো শ্ৰেণীৰ ৰাইজৰ সহায়-সহযোগ কামনা কৰিছে বিহু উদ্‌যাপন সমিতিৰ সভাপতি চক্ৰ বাহাদুৰ চৌহান আৰু সম্পাদক অচিন্ত্য শৰ্মাই।

# কলিয়াবৰত ৩৮ গৰাকী গাঁও প্ৰধানক বিদায় সম্ভাষণ

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ১১ মে' ঃ** কলিয়াবৰ মহকুমা প্ৰশাসনৰ উদ্যোগত কলিয়াবৰ ৰাজহ চক্ৰৰ সহযোগত আৰু কলিয়াবৰ মহকুমা গাঁও প্ৰধান সমিতিৰ ব্যৱস্থাপনাত কালি ৩৮ গৰাকী গাঁও প্ৰধানক বিদায় সম্ভাষণ জনোৱা হয়। চৰকাৰী নিৰ্দেশনা অনুযায়ী ইতিমধ্যে ৬৫ বছৰ অতিক্ৰম কৰা গাঁও প্ৰধানসকলক মহকুমা প্ৰশাসনৰ তৰফৰ পৰা অৱসৰ গ্ৰহণৰ পত্ৰ অৰ্পণ কৰাত একপ্ৰকাৰ সন্তুষ্টি প্ৰকাশ কৰে অৱসৰপ্ৰাপ্ত গাঁও প্ৰধানসকলে। কলিয়াবৰ ৰাজহ চক্ৰ বিষয়া কাৰ্যালয় চৌহদৰ গাঁও প্ৰধানসকলৰ কাৰ্যালয়ত গাঁও প্ৰধান সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি মণিৰাম ওজাৰ সভাপতিত্বত অনুষ্ঠিত সম্বৰ্ধনা সভাত মহকুমাধিপতি পবিত্ৰ কুমাৰ দাস, চক্ৰ বিষয়া নিতীষা বৰা, সহযোগী চক্ৰ বিষয়া ৰাজনীশান শৰ্মা, নিৰ্বাচন বিষয়া ডঃ ভূপালী কাশ্যপ, দণ্ডাধীশ তৰংগজিৎ বৰুৱা, মহকুমাধিপতি কাৰ্যালয়ৰ জ্যেষ্ঠ কৰ্মচাৰী অণু শইকীয়া, গাঁও প্ৰধান সমিতিৰ সম্পাদক গোলাপ শইকীয়া প্ৰমুখ্যে গাঁও প্ৰধানসকল উপস্থিত থাকে।

# দৰঙত বিয়াগীত প্ৰতিযোগিতা আৰম্ভ

বিশেষ সংবাদদাতা

**মঙলদৈ, ১১ মে' ঃ** দৰঙী কলা কৃষ্টি উন্নয়ন সংঘৰ উদ্যোগত কালিৰ পৰা সংঘৰ ভৱনত অনুষ্ঠিত হৈছে চাৰিদিনীয়া দৰঙী বিয়াগীত প্ৰতিযোগিতা। মুঠ ৯৫ টা দলে অংশগ্ৰহণ কৰা আৰু ছিপাঝাৰ ৰাজহ চক্ৰ বিষয়া কমলজিৎ শৰ্মাই উদ্বোধন কৰা বিয়াগীত প্ৰতিযোগিতাৰ প্ৰথম ঘূৰণত অবিভক্ত জিলাখনৰ ৩০ টা দলে অংশগ্ৰহণ কৰে। দৰঙী কলা কৃষ্টি উন্নয়ন সংঘৰ সাধাৰণ সম্পাদক নৰ কুমাৰ শইকীয়াই আঁতধৰা আৰু সভাপতি কুলেন্দ্ৰ নাথ ডেকা, অৱসৰী প্ৰাক্তন অধ্যক্ষ অজিত কুমাৰ চহৰীয়া, ৰজনীকান্ত নাথ, শিল্পী পেঞ্চনাৰ ৰাজেন্দ্ৰ নাথ ওজা, লোকশিল্পী ভদ্ৰকান্ত নাথ, নিৰুপমা ডেকা, উষাৰাণী দেৱী, দেৱেশ্বৰ শৰ্মা আদি উপস্থিত থকা প্ৰথম ঘূৰণৰ প্ৰতিযোগিতাত বিহুভাঙাৰ শিৱানী নামতী দল, চৰণধৰাৰ চাৰু প্ৰভা ডেকা, বৰদৌলগুৰিৰ দময়ন্তী দেৱী, গৰুখুঁটিৰ পটেশ্বৰী দেৱী আৰু বাঁহজানীৰ নমিতা নাথৰ দল চূড়ান্ত প্ৰতিযোগিতালৈ নিৰ্বাচিত হয়। কাইলৈ আন ৩০ টা দলৰ মাজত অনুষ্ঠিত হ'ব দ্বিতীয় দিনৰ প্ৰতিযোগিতা।

# সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক জুল খাউণ্ডৰ বিদায় সম্বৰ্ধনা অনুষ্ঠান সম্পন্ন



ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ১১ মে' ঃ** সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ উদ্যোগত তথা যোৰহাট মহকুমা ছাত্ৰ সন্থাৰ সহযোগত সদৌ অসম ছাত্ৰ সন্থাৰ সদ্যবিদায়ী সহকাৰী সাধাৰণ সম্পাদক জুল খাউণ্ডৰ বিদায় সম্বৰ্ধনা সভাখন পৰহি যোৰহাট মুক্তিযুঁজাৰু ভৱনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। যোৰহাট জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি সংকল্প গগৈৰ সঞ্চালনাত অনুষ্ঠিত সভাখনত বিদায় সম্বৰ্ধনা আৰম্ভণি কৰে সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাই। ইয়াৰ পাছতে সদৌ মাজুলী জিলা ছাত্ৰ সন্থা, যোৰহাট মহকুমা ছাত্ৰ সন্থা, তিতাবৰ মহকুমা ছাত্ৰ সন্থা , অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, অসম সেনা যোৰহাট জিলা সমিতি, যোৰহাট জিলা সাংবাদিক সন্থা, গণ অধিকাৰ সংগ্ৰাম সমিতি, যোৰহাট টাউন ক্লাব, যোৰহাট সাংস্কৃতিক মঞ্চ, বালিগাঁও জ্যেষ্ঠ নাগৰিক মঞ্চ, মাৰোৱাৰী যুৱ মঞ্চ, যোৰহাট এথলেটিক ক'চিং চেন্টাৰ, যোৰহাট জিলা এমেচাৰ বক্সিং সন্থা, ৰেড ড্ৰেগন মাৰ্চেলাৰ একাডেমী, সোমবৰী বৰা জুনিয়ৰ কলেজ, কুঁহিপাত পুথিভঁড়াল আৰু কলা কৃষ্টি কেন্দ্ৰ, টিএমপিকে, এমএমকে, টিএমএমকে, উজনি অসম চেম্বাৰ্চ অৱ কমাৰ্চ, যোৰহাট ঈদগাহ সমিতি, পোহৰ লাইভ-৮, যোৰহাট আঞ্চলিক ছাত্ৰ সন্থা, পূব যোৰহাট আঞ্চলিক ছাত্ৰ সন্থা, পশ্চিম যোৰহাট আঞ্চলিক ছাত্ৰ সন্থা, উত্তৰ-পশ্চিম যোৰহাট আঞ্চলিক ছাত্ৰ সন্থা, বালিগাঁও আঞ্চলিক ছাত্ৰ সন্থা, বকাকজান আঞ্চলিক ছাত্ৰ সন্থা, টীয়ক আঞ্চলিক ছাত্ৰ সন্থা, শিমলুগুৰি মৌজা আঞ্চলিক ছাত্ৰ সন্থা, চেলেংহাট আঞ্চলিক ছাত্ৰ সন্থা, লাহিং আঞ্চলিক ছাত্ৰ সন্থা, নকছাৰি আঞ্চলিক ছাত্ৰ সন্থা, মৰিয়নি আঞ্চলিক ছাত্ৰ সন্থা, তিতাবৰ আঞ্চলিক ছাত্ৰ সন্থা, ন-আলি ঢেকিয়াজুলি আঞ্চলিক ছাত্ৰ সন্থা, বৰহোলা আঞ্চলিক ছাত্ৰ সন্থা আৰু বিভিন্ন শাখা ছাত্ৰ সন্থাৰ লগতে বহু অনুষ্ঠান তথা ব্যক্তি নিৰ্বিশেষে আছুনেতাজনক সম্বৰ্ধনা জ্ঞাপন কৰে।

# তেজপুৰৰ পদ্মনাথ গোহাঞি বৰুৱা শাখা সাহিত্য সভাৰ ৰূপালী জয়ন্তী

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ১১ মে' ঃ** ১৯৯৫ত তেজপুৰত অসম সাহিত্য সভাৰ প্ৰথমগৰাকী সভাপতিৰ স্মৃতিত প্ৰতিষ্ঠিত পদ্মনাথ গোহাঞি বৰুৱা শাখা সাহিত্য সভাৰ উদ্যোগত অহা ২২ মে'ত বৃহত্তৰ তেজপুৰ অঞ্চলক সংপৃক্ত কৰি এখন কবি সন্মিলনৰ আয়োজন কৰা হৈছে। অসমীয়া ক্লাবৰ বালিৰাম লহকৰ সভাঘৰত পুৱা ১০-৩০ বজাৰ পৰা শোণিতপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি গুণকান্ত বৰুৱাৰ সঞ্চালনাত অনুষ্ঠিতব্য উক্ত সন্মিলনখন উদ্বোধন কৰিব কবি মণিকুন্তলা ভট্টাচাৰ্যই। উল্লেখ্য যে পদ্মনাথ গোহাঞি বৰুৱা শাখা সাহিত্য সভাই উক্ত কবি সন্মিলনত অংশগ্ৰহণ কৰাৰ প্ৰতি আগ্ৰহী কবিসকলে অহা ১৫ মে'ৰ ভিতৰত নিজৰ নাম পঞ্জীয়ন কৰিব লাগিব। উক্ত অনুষ্ঠানত কবি দুগ্ধ কুমাৰ শইকীয়াৰ 'এবুকু শব্দৰ মালিতাত নতুনৰ সন্ধান' শীৰ্ষক কাব্যগ্ৰন্থখনো উন্মোচন হ'বলগীয়া এই অনুষ্ঠানলৈ ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি মৃণালী চেতিয়া আৰু সম্পাদক অণু দেৱী মহন্তৰ লগতে শাখা সাহিত্য সভাৰ সভাপতি ভুৱন চন্দ্ৰ গগৈয়ে আহ্বান জনাইছে।

**■ ২২ মে'ত তেজপুৰত কবি সন্মিলন**

**■ দুগৰাকী শিক্ষয়িত্ৰীয়ে পাঠদান কৰিছে দুই শতাধিক শিক্ষাৰ্থীক**

# প্ৰাথমিক শিক্ষা খণ্ডৰ পয়ালগা ছবি

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ১১ মে' ঃ** ৰাজ্যজুৰি আজিৰ পৰা অনুষ্ঠিত হয় বিদ্যালয়সমূহৰ গুণোৎসৱৰৰ মাজতে এখন বিপৰীত ছবি প্ৰতিফলিত হৈছে। প্ৰয়োজনীয় শিক্ষকৰ অভাৱত কলিয়াবৰত শিক্ষাৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে কণ কণ ছাত্ৰ-ছাত্ৰী। ২৭৬ গৰাকী ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে শিক্ষয়িত্ৰীৰ সংখ্যা দুগৰাকী। গুণোৎসৱৰ সময়তে প্ৰাথমিক শিক্ষাৰ এই দুখ লগা ছবিখনে সকলোকে স্তম্ভিত কৰিছে। কলিয়াবৰ শিক্ষাখণ্ডৰ অধীনস্থ মিছা ভূঞাপট্টি প্ৰাথমিক বিদ্যালয়খনৰ এনে পৰিৱেশক শিক্ষা বিভাগৰ বৰমূৰীয়াসকলে দেখিও নেদেখাৰ ভাও জোৱা কথাই বৰ্তমান সময়ত ৰহস্যৰ সৃষ্টি কৰিছে। প্ৰয়োজনীয় শিক্ষকৰ অভাৱত শিক্ষাৰ পৰা বঞ্চিত হ'বলগা হৈছে বিদ্যালয়খনৰ কণ কণ ছাত্ৰ-ছাত্ৰী। প্ৰকৃততে বিদ্যালয়খনৰ তিনিগৰাকী শিক্ষয়িত্ৰীৰ এগৰাকী বিগত ডিচেম্বৰৰ পৰা আছে প্ৰসূতিকালীন ছুটীত। গতিকে বৰ্তমান দুগৰাকী শিক্ষয়িত্ৰীৰেই চলিছে এইখন বিদ্যালয়। চৰকাৰী হিচাপত ৩০গৰাকী ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে এজন শিক্ষক থাকিব লাগে যদিও এইখন বিদ্যালয়ত এগৰাকী শিক্ষয়িত্ৰীৰ ভাগত পৰিছে ১৩৫ গৰাকীৰো অধিক ছাত্ৰ-ছাত্ৰী। ইফালে, বিদ্যালয়খনত অৰিস্মিতা কলিতা নামৰ আন এগৰাকী শিক্ষয়িত্ৰী নিযুক্তি দিয়া হৈছিল যদিও ২০১৯ৰ পৰা বিদ্যালয়খনত অনুপস্থিত এইগৰাকী শিক্ষয়িত্ৰী। এতিয়া শিক্ষক-শিক্ষয়িত্ৰীৰ অভাৱত শিক্ষা গ্ৰহণৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে কণ কণ শিক্ষাৰ্থী। স্থানীয় ৰাইজৰ লগতে অভিভাৱকসকলে শীঘ্ৰে শিক্ষক নিযুক্তি দিবলৈ দাবী জনাইছে।



*দুলীয়াজান মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা, বুধবাৰে।*

# ৰাণীত ৪৫ দিনীয়া কৃত্ৰিম গো প্ৰজননৰ 'মৈত্ৰী' কাৰ্যক্ৰম

অগ্ৰদূত বাৰ্তা

**পলাশবাৰী, ১১ মে' ঃ** মহানগৰীৰ পাৰ্শ্ববৰ্তী ৰাণীস্থিত আঞ্চলিক পাম পৰিচালনা প্ৰতিষ্ঠানৰ উদ্যোগত প্ৰথমবাৰৰ বাবে মেঘালয় চৰকাৰৰ পশুপালন আৰু পশু চিকিৎসা বিভাগৰ ৪৫ দিনীয়া কৃত্ৰিম গো প্ৰজননৰ ওপৰত ভাৰত চৰকাৰৰ আঁচনিৰ অধীনত 'মৈত্ৰী' কাৰ্যক্ৰমৰ অনুষ্ঠিত হয়। অনুষ্ঠানৰ অন্তত মেঘালয় চৰকাৰৰ পশু পালন আৰু পশু চিকিৎসা বিভাগৰ সঞ্চালক, ৰাণী আঞ্চলিক পাম প্ৰতিষ্ঠানৰ সঞ্চালক ডাঃ নিত্য নাৰায়ণ মহন্ত, পশুধন অভিকৰণৰ চি ই অ' ডাঃ মণিদ্বীপ দাস, পশুপালন আৰু পশু চিকিৎসা বিভাগ, অসম অতিৰিক্ত সঞ্চালক ডাঃ দিলীপ ভূঞা তথা বিভাগৰ অন্যান্য বিষয়াসকল উপস্থিত থাকে। উল্লেখ্য যে ৰাণী পাম পৰিচালনা প্ৰতিষ্ঠানত ইয়াৰ পূৰ্বে অসমৰ বাহিৰৰ কোনো ৰাজ্যৰ 'মৈত্ৰী' অনুষ্ঠিত হোৱা নাই।

# বৰভাগৰ যুৱক কৃষ্টি সংঘৰ ৰঙালী বিহুৰ সামৰণি

অগ্ৰদূত বাৰ্তা

**বৰভাগ, ১১ মে' ঃ** নলবাৰী জিলাৰ বৰভাগৰ যুৱক কৃষ্টি সংঘ (কালাগ)ৰ উদ্যোগত আয়োজিত ২৭ সংখ্যক ৰঙালী বিহু উৎসৱ যোৱা আঠ মে'ত সামৰণি পৰে। উজনি নামনিৰ বিহু দলৰ অংশগ্ৰহণ তথা বিহুবলীয়া ৰাইজৰ উপস্থিতিৰে লোকে লোকাৰণ্য হৈ পৰা কালাগ দৌল প্ৰাংগণত অনুষ্ঠিত হোৱা ৰঙালী বিহুত সদৌ অসম ভিত্তিত মুকলি বিহু প্ৰতিযোগিতাৰ লগতে একক বিহু নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হয়। মুকলি বিহুৰ ক্ষেত্ৰ উদ্বোধন কৰে বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক আমন্ত্ৰিত সদস্য লক্ষী কলিতাই। একেদৰে মুকলি বিহুৰ লগত সংগতি ৰাখি আয়োজন কৰা একক বিহুনৃত্য প্ৰতিযোগিতা উদ্বোধন কৰে অগপৰ মুখপাত্ৰ গুণমণি ভূঞাই।

# কুসংস্কাৰ বিৰোধী সজাগতা সভাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**টিহু, ১১ মে' ঃ** টিহুৰ সমীপৱৰ্তী মাখিবাহা-বালাবড়ীত ১১২ সংখ্যক শ্ৰীকৃষ্ণৰ ফুল দৌল মহোৎসৱৰ স'তে সংগতি ৰাখি অহা ১৫ মে'ত দুপৰীয়া ১২ বজাত বালাবড়ী চুপা উন্নয়ন সমিতি আৰু ইলোৰা বিজ্ঞান মঞ্চ, টিহু শাখাৰ উদ্যোগত এখন সজাগতা সভা অনুষ্ঠিত হ'ব। অন্ধবিশ্বাস, কুসংস্কাৰ আৰু জনস্বাস্থ্য সম্পৰ্কত আলোচনা কৰিবলগীয়া উক্ত সজাগতা সভাখনত বক্তা হিচাপে উপস্থিত থাকিব পাঠশালা মহকুমা স্বাস্থ্য বিষয়া ডাঃ হিতেশ তালুকদাৰ, মাখিবাহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী বিষয় শিক্ষক দিলীপ শৰ্মা, সাংবাদিক অজিত কুমাৰ শৰ্মা আৰু স্বাস্থ্যকৰ্মী পুলিন দাস।

# হাউলী থানাত ৰাষ্ট্ৰপতিৰ নিচান প্ৰদান অনুষ্ঠান উপলক্ষে বিশেষ অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**হাউলী, ১১ মে' ঃ** অসম আৰক্ষীক আজি প্ৰদান কৰা হৈছে ৰাষ্ট্ৰপতিৰ বৰ্ণিল নিচান। যাৰ বাবে ৰাজ্যজুৰি অসম আৰক্ষীৰ মাজত পৰিলক্ষিত হৈছে ব্যাপক উছাহ। সমগ্ৰ ৰাজ্যৰ লগতে হাউলীতো আৰক্ষীৰ মাজত ব্যাপক উছাহ দেখা গৈছে। ৰাষ্ট্ৰপতিৰ নিচান প্ৰদান অনুষ্ঠান উপলক্ষে ৰাজ্যৰ আৰক্ষী থানাসমূহৰ লগতে হাউলী আৰক্ষী থানাতো কালি এই বিশেষ দিন বিশেষভাৱে উদ্‌যাপন কৰে। এই উপলক্ষে সজাই-পৰাই তোলা হয় হাউলী থানাৰ চৌহদ। উল্লেখ্য যে অসম আৰক্ষীলৈ ৰাষ্ট্ৰপতিৰ বৰ্ণিল নিচান প্ৰদানৰ লগত সংগতি ৰাখি পুৱা হাউলী আৰক্ষী থানাত এক বিশেষ অনুষ্ঠান অনুষ্ঠিত কৰে। হাউলী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া গোপাল বৰাই আঁত ধৰা অনুষ্ঠানত হাউলী পৌৰসভাৰ সভানেত্ৰী অঞ্জলি দাস চৌধুৰী, অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰাঘৰ দাস, হাউলী নগৰ সমিতিৰ প্ৰাক্তন সভাপতি পৰমানন্দ দাস, সমাজকৰ্মী উৎপল ভৰালী, হাউলী পৌৰসভাৰ ৱাৰ্ড কমিচনাৰসকল ক্ৰমে খাইৰুল আলম, ছৰিফুল ইছলাম, বিনয় ঘোষ, সঞ্জয় ঘোষ, নৰ কুমাৰ দাস, সাংবাদিক কৌশিক কমল দাস, শিক্ষকদ্বয় তৰুণ নাথ, খনীন্দ্ৰ বায়ন, অধ্যাপক মুনীন্দ্ৰ নাথ দাসে উপস্থিত থাকি অসম আৰক্ষীৰ বিভিন্ন দিশৰ বিষয়ে ভাষণ প্ৰদান কৰে। অনুষ্ঠানত উপস্থিত আৰক্ষীয়ে ভাষণ প্ৰদান কৰি কয় যে দেশমাতৃ আৰু অসমৰ হকে অসম আৰক্ষীয়ে শক্তিশালী ৰূপত আত্মনিয়োগ কৰি কাম কৰি যাব। হাউলী আৰক্ষী থানাৰ অনুষ্ঠানৰ পাছতে গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত ৰাষ্ট্ৰপতিৰ বৰ্ণিল নিচান প্ৰদান অনুষ্ঠানটো বিশেষ স্ক্ৰীণযোগে সকলোৱে পোনপটীয়াকৈ উপভোগ কৰে।

# শিৱসাগৰৰ সৰবৰহী মহিলা নিকুঞ্জ মালতি কাকতিৰ মৃত্যু

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১১ মে' ঃ** শিৱসাগৰ নগৰৰ ফুকন নগৰৰ সৰবৰহী মহিলা নিকুঞ্জ মালতি কাকতি ওৰফে চিলি (৯১)ৰ কালি দুপৰীয়া নিজ বাসগৃহত বাৰ্ধক্যজনিত ৰোগত মৃত্যু হয়। প্ৰাক্তন জনসম্পৰ্কৰক্ষী বিষয়া প্ৰয়াত গজেন্দ্ৰ নাথ কাকতিৰ পত্নী নিকুঞ্জ মালতি কাকতি বিভিন্ন সামাজিক কামত আগৰণুৱা আছিল। অসম আন্দোলনত ওতঃপ্ৰোতভাৱে জড়িত কাকতি জোনালী চ'ৰাৰ স'তে জন্মলগ্নৰ পৰা জড়িত আছিল। বিগত দশকলৈকে চ'ৰাৰ সম্পাদিকাৰূপে দায়িত্ব পালন কৰা নিকুঞ্জ মালতি কিছুদিনৰ বাবে শিৱসাগৰ নগৰৰ ফুলেশ্বৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰাৰ লগতে বলিয়াঘাটৰ ছোৱালী বিদ্যালয়তো শিক্ষা প্ৰদান কৰিছিল। মহিলা সমাজৰ উত্তৰণৰ বাবে সেৱা আগবঢ়াই অহা নিকুঞ্জ মালতি কাকতিৰ অন্তিম সংস্কাৰ আজি বিয়লি ফুকন নগৰ শ্মশানত সম্পন্ন হয়। মৃত্যুৰ সময়ত ধৰ্মপ্ৰাণ মহিলাগৰাকীয়ে পুত্ৰ ৰূপম কাকতি আৰু জীয়ৰী ৰাকাজ্যোতি চলিহাৰ লগতে বোৱাৰী, জোঁৱাই, নাতি-নাতিনী আদি বহু আত্মীয়-স্বজন এৰি গৈছে।

# শুৱালকুছিত ভগৱান শ্ৰীকৃষ্ণৰ সুঁৱৰি উৎসৱৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ১১ মে' ঃ** ধৰ্ম আৰু কৰ্ম সংস্কৃতিৰ মিলনভূমি বস্ত্ৰনগৰী শুৱালকুছিৰ পূব প্ৰান্তৰ দ-মাটি পৰ্বতস্থিত শ্ৰীশ্ৰীগোপাল সত্ৰত বিগত বৰ্ষৰ দৰে এইবেলিও অহা ১৫ মে'ত ধৰ্মীয় পৰম্পৰাৰে দিনজোৰা কাৰ্যসূচীৰে ভগৱান শ্ৰীকৃষ্ণৰ সুঁৱৰি উদ্‌যাপন কৰাৰ পূৰ্ণ প্ৰস্তুতি চলাইছে। কাৰ্যসূচী অনুসৰি সেইদিনা বন্তি প্ৰজ্বলন কৰিব কমলাকান্ত গোস্বামীয়ে। ধৰ্মীয় পতাকা উত্তোলন কৰিব শ্ৰীশ্ৰীগোপাল সত্ৰ পৰিচালনা সমিতিৰ সভাপতি মকুন চন্দ্ৰ দাসে। পানী তোলনৰ পাছত বাৰগোপালক লগত লৈ নগৰত বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা আৰু হোম আৰম্ভ। দুপৰীয়া ভগৱানৰ প্ৰসাদ আৰু ভোগ গ্ৰহণ। আবেলি ভগৱান শ্ৰীকৃষ্ণৰ ভাওনা 'দধি মথন'। নিশা 'ৰজা হৰিশ্চন্দ্ৰ' নাট প্ৰদৰ্শন। দিনজোৰা ধৰ্মীয় কাৰ্যসূচীত সমূহ ধৰ্মপ্ৰাণ ৰাইজৰ উপস্থিতি আৰু সহায়-সহযোগিতা কামনা কৰিছে সুঁৱৰি উৎসৱ পৰিচালনা সমিতিৰ সভাপতি দেৱেশ্বৰ দাস, সম্পাদক ধীৰাজ দাসে।

# গাতিত অনুষ্ঠিত মুকলি বিহু প্ৰতিযোগিতাত বিচাৰকৰ ভুল ব্যাখ্যাক লৈ প্ৰতিক্ৰিয়া

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ১১ মে' ঃ** যোৱা ন মে'ত বাগ্‌সাৰ শালবাৰীৰ গাতিত গাতি আঞ্চলিক ছাত্ৰ সন্থা আৰু শালবাৰী শাখা ছাত্ৰ সন্থাৰ উদ্যোগত সদৌ অসম ভিত্তিত অনুষ্ঠিত মুকলি বিহু প্ৰতিযোগিতাত বিচাৰকৰ ভুল ব্যাখ্যাক লৈ বিভিন্ন সংগঠনৰ লগতে বহু সচেতন ৰাইজে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। এই সন্দৰ্ভত এক বিবৃতিত একাংশ সচেতন লোকে কয়, 'যোৱা ২৫ ব'হাগত গাতি শাখা ছাত্ৰ সন্থা আৰু শালবাৰী শাখা ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত মুকলি বিহু প্ৰতিযোগিতা চাবলৈ গ'লো। আড়ম্বৰপূৰ্ণ আয়োজন। শিৱসাগৰ, দৰং, গুৱাহাটী, নলবাৰী, বজালী, বাগ্‌সা আৰু বৰপেটা জিলাৰ কে'বাটিও দলে অংশগ্ৰহণ কৰিছে। লোকে লোকাৰণ্য। সেয়েহে ৰাস্তাৰ পৰাই থিয় হৈ বিহু চাবলৈ বাধ্য হ'লোঁ। বিহুৱা-বিহুৱতীৰ হাত আৰু মূৰৰ বাহিৰে একো দেখা নাপাও। শব্দযন্ত্ৰ সুন্দৰ। সকলো স্পষ্টকৈ শুনি। জিলা ছাত্ৰ সন্থাৰ ঘোষকৰ সুন্দৰ পৰিচালনা। বিচাৰক হিচাপে চিনাকি কৰাই দিলে ৰাজীৱ তালুকদাৰ, কল্পনা দাস আৰু চিত্ত প্ৰসাদ দাসক। বিহু আৰম্ভ হ'ল। হৈ যোৱা দলটিৰ বিহুৱাক এটা আৰু বিহুৱতীক এটা প্ৰশ্ন চিত্ত প্ৰসাদ দাসে কৰা শুনিলোঁ। বিহুৰ প্ৰধান বাদ্য কি? দলটিয়ে অশুদ্ধ উত্তৰ দিলে। তাৰপাছত বিহুৱতীলৈ প্ৰশ্ন, গামখাৰুৰ আন এটা নাম কি? প্ৰশ্ন শুনি আমি হতভম্ব হ'লোঁ! বিহুৰ বিষয়ে কৰা ইমান দিনৰ অধ্যয়ন, শ্ৰম, অধ্যৱসায় সকলো মিছা। বিহুৱতীগৰাকীয়ে শুদ্ধ উত্তৰটো দিব নোৱাৰাত বিচাৰক দাসে উত্তৰটো দি দিলে।' গামখাৰুৰ আন এটা নাম মুঠিখাৰু। বিচাৰকজনে দিয়া এইটো সম্পূৰ্ণ অশুদ্ধ উত্তৰ। এতিয়া আমাৰ ক'বলগীয়া হ'ল 'বিহু অসমীয়া জাতিৰ প্ৰাণ। বিহু বৃহৎ অসমীয়া জাতিৰ স্বাভিমান। ই অসমীয়া জাতিৰ জাতীয় উৎসৱ-বাপতি সাহোন সৰ্বোপৰি অসমীয়া জাতিৰ হিয়াৰ আঁমঠু। এনেহেন স্বকীয় বৈশিষ্ট্যৰে বৈশিষ্ট্যপূৰ্ণ আদৰৰ বিহুটিক শুদ্ধ ৰূপত জীয়াই ৰখাটো প্ৰত্যেকজন অসমীয়াৰে গুৰু দায়িত্ব। প্ৰতিযোগিতা এখনত বিচাৰককেইগৰাকীয়েই হ'ল মূল ব্যক্তি, প্ৰধান কাণ্ডাৰী। বিচাৰকৰ আসনত বহি বিচাৰককেইগৰাকীয়েই বিহু সংস্কৃতিৰ প্ৰকৃত ৰূপবৈচিত্ৰ্য ধৰি ৰখাৰ ক্ষেত্ৰত আমাৰ উঠি অহা নৱপ্ৰজন্মলৈ অনেক বাৰ্তা প্ৰেৰণ কৰিব পাৰে। কিন্তু বিচাৰকৰ আসনত বহি এনেকুৱা ভুল ব্যাখ্যাৰে ভৱিষ্যৎ প্ৰজন্মক বাট দেখুৱাই দিয়াটো জাতিটোৰ বাবে কোনো পধ্যেই শুভলক্ষণ কিম্বা গ্ৰহণযোগ্য হ'ব নোৱাৰে। সেয়েহে আমি দাসক মুকলিভাৱে প্ৰশ্ন কৰিছোঁ তেওঁ ক'ত, কোনখন গ্ৰন্থত, কোনটো সাঁচিপতীয়া মিউজিয়ামত পাইছে গামখাৰুৰ যে আন এটা নাম মুঠিখাৰু। এই কথাৰ সত্যসত্যতা প্ৰমাণ দি নিজৰ স্থিতি স্পষ্ট কৰিবলৈ আহ্বান জনালোঁ। নহ'লে আমি নতুন প্ৰজন্মক (যিসকলে নেকি গোটেই অসমীয়া জাতিটোক ভৱিষ্যতে প্ৰতিনিধিত্ব কৰিব) ভুল পথে পৰিচালিত কৰা হ'ব।' ইফালে, এই ক্ষেত্ৰত বিহু সুৰক্ষা সমিতি আনন্দ বজাৰ শাখাৰ ফালৰ পৰাও দাসক ইয়াৰ এক স্পষ্টীকৰণ দিবলৈ আহ্বান জনায়।

# প্ৰাক্তন সেনাবাহিনীৰ কৰ্মচাৰী উপেন সোণোৱালৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**বৰহোলা, ১১ মে' ঃ** বৰহোলাৰ নিবাসী প্ৰাক্তন ভাৰতীয় সেনাবাহিনীৰ কৰ্মচাৰী উপেন সোণোৱালৰ যোৱা নিশা হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। আজি কিছুদিনৰ পৰা ৰোগত আক্ৰান্ত হৈ থকা সোণোৱালক কালি দিনৰ ভাগত যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰা হয়। ইকৰাণিৰ বৰাবাৰী গাঁৱত জন্মগ্ৰহণ কৰা সোণোৱাল ভাৰতীয় সেনাবাহিনীৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পাছত বৰহোলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰ মুখ্য সহায়ক পদত নিযুক্ত হয়। মহাবিদ্যালয়খনত প্ৰায় ছবছৰ কাল অবৈতনিকভাৱে সেৱা আগবঢ়াই বৰহোলা চাহ বাগিচাত কল্যাণ বিষয়া হিচাপে নিযুক্তি লাভ কৰে। বৰহোলা চাহ বাগিচাত নিযুক্তি লাভ কৰি বৰহোলাৰ স্থায়ী বাসিন্দা হয়। তিনি বছৰৰ আগতে চাহ বাগিচাৰ পৰা অৱসৰ গ্ৰহণ কৰা সোণোৱালে মৃত্যুৰ সময়ত পত্নীসহ এজন পুত্ৰ আৰু তিনিগৰাকী বিবাহিতা কন্যা সহিতে বহু ইষ্ট কুটুম্বক এৰি গৈছে। তেওঁৰ মৃত্যুত বৰহোলা চাহ বাগিচা আৰু বৰহোলা মহাবিদ্যালয়ত শোক সভা অনুষ্ঠিত কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

# গোলাগাঁৱত ৰাজ্য চৰকাৰৰ বৰ্ষপূৰ্তি অনুষ্ঠান



অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ১১ মে' ঃ** ৰাজ্যত বিজেপি, অগপ আৰু ইউপিপিএল চৰকাৰৰ আজি এবছৰ সম্পূৰ্ণ হোৱা বাবে বাগ্‌সা জিলাৰ গোলাগাঁও ভিচিডিচি কাৰ্যালয়ত আজি সন্ধিয়া বৰ্ষপূৰ্তি অনুষ্ঠান অনুষ্ঠিত হয়। গোলাগাঁও প্ৰাইমাৰী ইউপিপিএলৰ উদ্যোগত সন্ধিয়া ভিচিডিচি কাৰ্যালয়ত দলৰ কৰ্মীসকলে মমবাতি জ্বলাই বৰ্ষপূৰ্তিৰ আনন্দ-উৎসৱ পালন কৰে। দলৰ কৰ্মীসকলে 'বিজেপি লং লিভ, এজিপি লং লিভ, ইউপিপিএল লং লিভ' আদি ধ্বনি দি পৰিৱেশ উত্তাল কৰি তোলে। অনুষ্ঠানত দলৰ গোলাগাঁও ভিচিডিচিৰ অধ্যক্ষ এণ্টনি হাজোৱাৰী, গোলাগাঁও প্ৰাইমাৰী সমিতিৰ সভাপতি আদিৰাম বড়ো, সম্পাদক অমৰ বসুমতাৰী, কাৰ্যবাহী হায়েনচা স্বৰ্গীয়াৰীৰ নেতৃত্বত এই বৰ্ষপূৰ্তিৰ কাৰ্যসূচী ৰূপায়িত হয়। তেওঁলোকে কয় যে মিত্ৰজোঁটৰ নেতৃত্বত থকা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ বলিষ্ঠ নেতৃত্বৰ বাবে সফলতাৰে এবছৰ পূৰ্ণ কৰিলে। মিত্ৰজোঁটৰ এই চৰকাৰক লৈ তেওঁলোক যথেষ্ট আশাবাদী। বিটিচিতো প্ৰমোদ বড়োৰ নেতৃত্বত পাঁচ বছৰ সুকলমে ইউপিপিএলে চৰকাৰ চলাব পাৰিব বুলি কৰ্মকৰ্তাসকলে দাবী কৰে।

# শালবাৰীত জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহ

**■ মুকলি বিহুত মঙলদৈ আৰু গুৱাহাটী দল শ্ৰেষ্ঠ বিবেচিত**

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ১১ মে' ঃ** বাগ্‌সা জিলাৰ শালবাৰীৰ নিকটবৰ্তী চমুৱাগাতিত শ্ৰীশ্ৰী কামাখ্যা দেৱালয় প্ৰাংগণত শালবাৰী আঞ্চলিক ছাত্ৰ সন্থা আৰু গাতি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত পৰহি সম্পন্ন হয় সদৌ অসম ভিত্তিত মুকলি বিহু প্ৰতিযোগিতা আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহ। সন্ধিয়াৰ পৰা অনুষ্ঠিত সদৌ অসম ভিত্তিত মুকলি বিহু প্ৰতিযোগিতা আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহ উদ্বোধন কৰে দক্ষিণ বিজনী আঞ্চলিক ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয়ৰ অধ্যক্ষ নৰ কুমাৰ দাসে। মাজনিশালৈকে অনুষ্ঠিত হোৱা সদৌ অসম ভিত্তিত মুকলি বিহু প্ৰতিযোগিতাত অসমৰ ভিন্ন প্ৰান্তৰ কে'বাটাও আগশাৰীৰ বিহু দলে অংশগ্ৰহণ কৰে। মুকলি বিহু প্ৰতিযোগিতাত মঙলদৈৰ দৰঙী বিহু দলে শ্ৰেষ্ঠ দলৰ বঁটা বিজয়ী হোৱাৰ লগতে দ্বিতীয় শ্ৰেষ্ঠ দলৰ বঁটা বিজয়ী হয় গুৱাহাটীৰ ৰুক্মিণী নগৰৰ দাক্ষায়িনী সাংস্কৃতিক গোষ্ঠীয়ে। উল্লেখ্য যে মুকলি বিহু প্ৰতিযোগিতাথলীত বাৰেণ্ডাবাৰী বড়ো কৃষ্টি দলে বাগৰুম্বা নৃত্য আৰু কাহিবাৰী ঝুমুৰ নৃত্য দলে ঝুমুৰ নৃত্য পৰিৱেশন কৰে। বাগ্‌সা জিলা ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক কংকনজ্যোতি শৰ্মা আৰু প্ৰাক্তন ছাত্ৰ নেতা মনোজ দাসে আঁত ধৰা, শালবাৰী মহকুমা আৰক্ষী বিষয়া সমীৰণ বৈশ্যই মুখ্য অতিথিৰূপে, আছু নেতা জুবিন দাস, প্ৰাক্তন ছাত্ৰ নেতা পৰমেশ্বৰ দাস, অঞ্জন তালুকদাৰৰ লগতে বহুতো বিশিষ্ট ব্যক্তিয়ে অতিথিৰূপে উপস্থিত থকা মুকলি বিহু প্ৰতিযোগিতা আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহত গাতি অঞ্চলৰ কৃতী শিক্ষক ক্ৰমে অন্নদা প্ৰসাদ দাস, নাৰায়ণ দাস, অনাদিৰাম দাস, জলেশ্বৰ দাস, বৰ্ষীয়ান সমাজকৰ্মী মনমোহন দাস, দ্বিজেন দাসৰ লগতে অৰ্ধশতাধিক বিশিষ্ট নাগৰিকক বিশেষভাৱে সম্বৰ্ধনা জনায় ছাত্ৰ সন্থা তথা উদ্‌যাপন সমিতিৰ তৰফৰ পৰা। দিনজোৰা কাৰ্যক্ৰমণিকাৰে অনুষ্ঠিত মুকলি বিহু প্ৰতিযোগিতা আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহৰ লগত সংগতি ৰাখি দিনৰ ভাগত আছুৰ পতাকা উত্তোলন, বিহুৰ পতাকা উত্তোলন কৰে ক্ৰমে গাতি আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সঞ্জীৱ উজিৰ আৰু উদ্‌যাপন সমিতিৰ সভাপতি ৰণ্টু দাসে। ছহিদ তৰ্পণ কৰে শালবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি হিৰকজ্যোতি সূত্ৰধৰ আৰু উদ্‌যাপন সমিতিৰ সম্পাদক বিদ্যুৎ দাসে।



উল্লেখ্য যে আছুৰ উদ্যেগত অনুষ্ঠিত মুকলি বিহু প্ৰতিযোগিতা আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহত হেজাৰ হেজাৰ বড়ো, অসমীয়া, কোচ ৰাজবংশী, ৰাভা, শৰণীয়া কছাৰী, আদিবাসী, চাহ জনগোষ্ঠী আদি ভিন্ন জনগোষ্ঠীৰ লোকে ঐক্যবদ্ধতাৰে সমবেত হৈ পুৱতি নিশালৈকে এক সমন্বয়ৰ মনোজ্ঞ অনুষ্ঠান উপভোগ কৰে। লগতে বিহু বাকৰিত অসমৰ মাটি আৰু মানুহৰ সংস্কৃতিৰ নান্দনিক সৌন্দৰ্যৰ সৃষ্টি হয়।

# বসন্ত উৎসৱৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও, ১১ মে' ঃ** অহা ২১ আৰু ২২ মে'ত গণকপুখুৰীৰ কাঠকটীয়া বাসুদেৱ যুৱ কল্যাণ বাকৰিত গোলাঘাট লোক কৃষ্টি বিকাশ পথাৰৰ দ্বি-বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আৰু স্থানীয় ৰাইজৰ সহযোগত অষ্টাদশ বাৰ্ষিক বসন্ত উৎসৱৰ আয়োজন কৰা হৈছে। ২১ মে'ৰ পুৱা উদ্‌যাপন সমিতিৰ সভাপতি নবীন শৰ্মাই বিহু পতাকা উত্তোলন কৰাৰ পাছতে স্মৃতি তৰ্পণ, গছপুলি ৰোপণ, পৌৰাণিক বিহুৰ আলাপ আদি কাৰ্যসূচীৰ পাছত দুপৰীয়া ঢোল বাদন, ঢোলত নাচনী চেও, বিহুনাম, পেঁপা, গগনা, সুতুলি বাদন প্ৰতিযোগিতা, সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা আৰু সন্ধিয়া সাত বজাৰ পৰা সৰু বিহুৱতী প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ২২ মে'ৰ পুৱা সাংস্কৃতিক শোভাযাত্ৰা, ১১ বজাৰ পৰা গোলাঘাট লোক কৃষ্টি বিকাশ পথাৰৰ মুকলি সভা কবিতা আবৃত্তি, ৰচনা, চিত্ৰাংকন, স্ব-প্ৰতিভা, খেল-ধেমালি, কুইজ, বিয়ানাম আৰু উৰুলি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধিয়া সম্বৰ্ধনা, বঁটা বিতৰণী সভা আৰু বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানৰে কাৰ্যসূচীৰ সামৰণি পৰিব। উদ্‌যাপন সমিতিৰ সভাপতি নবীন শৰ্মা, সম্পাদক উপেন হাজৰিকা আৰু ৰবীন চন্দ্ৰ মহন্তই ৰাইজৰ উপস্থিতি কামনা কৰিছে। যোগাযোগৰ বাবে ৯৪০১৩০৩৬২৮ নম্বৰত ফোন কৰিব পাৰিব।






## টেঙাখাতত সোণোৱাল কছাৰী লেচেৰী

১২ *পৃষ্ঠাৰ পৰা* সাহিত্য সভাৰ প্ৰাক্তন প্ৰতিষ্ঠাপক সভাপতি তথা সাহিত্যিক গুণেশ্বৰ সোণোৱালে। 'সোণোৱাল কছাৰী সংস্কৃতিৰ বৈচিত্ৰ্য আৰু বিশেষ।' শীৰ্ষক বিষয়ৰ ওপৰত মুখ্য আলোচক তথা মৰাণ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° তুলসী সোণোৱালে মতামত দাঙি ধৰে। আলোচনাচক্ৰত সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দীপুৰঞ্জন মাক্ৰাৰীয়ে অংশগ্ৰহণ কৰে। আলোচনাচক্ৰৰ পাছতে ডাঙৰী ন-পথাৰ যুৱক-যুৱতীসকলে লগ বিহু, টিংখাং ঔফুলীয়া দলে হুগ্ৰা-ভাটি নামদাং হাইদাং হুঁচৰি, পাণধোৱা গাঁৱৰ লোকসকলে কোলাবুঢ়া নাচ, এক নম্বৰ কঁঠালগুৰি যুৱতী দলে লেচেৰী নাচ, পাণধোৱা যুৱক দলে সোণোৱাল কছাৰী আৰু চাউদাং চাহ বাগিচাৰ শ্ৰমিকসকলে ঝুমুৰ নাচ প্ৰদৰ্শন কৰে। বঁটা বিতৰণী অনুষ্ঠানত লেচেৰী নাচ প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰা টিংৰাই কঠালগুৰি লেচেৰী দল, দ্বিতীয় স্থান লাভ কৰা হাতীবন্ধা মিলিজুলি লেচেৰী দল, তৃতীয় স্থান লাভ কৰা ন-খাট নগাঁও লেচেৰী দল আৰু উদগনি বঁটা লাভ কৰা চকলিপথাৰ লেচেৰী দল আৰু দিহিংভেলী লেচেৰী দলক বঁটা প্ৰদান কৰা হয়।

## ন্যায়ালয়ত গোচৰ তৰাৰ নামত দুটা

১২ *পৃষ্ঠাৰ পৰা* স্থগিতকৰণৰ নিৰ্দেশ লাভ কৰা নাই। তেওঁলোকে এই প্ৰতিবেদকক জনোৱা মতে, মেৰাপানীৰ এটা চক্ৰই উচ্চ ন্যায়ালয়ত গোচৰ তৰাৰ নামত ছয় হেজাৰৰ পৰা আঠহেজাৰ টকাকৈ ধন সংগ্ৰহ কৰি আহিছে। টকা দিয়াৰ পাছতো দালালৰূপী লোককেইজন কোনো ন্যায়ালয়ৰ নিৰ্দেশ আনি দিব পৰা নাই। আটাইতকৈ পৰিতাপৰ বিষয়টো হ'ল ন্যায়ালয়ৰ কাষ চপা এজেন্টসকলৰ স্থগিত নিৰ্দেশ পোৱাৰ পাছত যোগান বিভাগে উক্ত দোকান কৰ্তনৰ নিৰ্দেশ উঠাই লোৱা বুলিয়ো জানিবলৈ দিয়ে। আনহাতে, ন্যায়ালয়ত গোচৰ নিদিয়া বহু এজেন্ট কিন্তু এতিয়াও বঞ্চিত হৈ আছে। যদি একাংশ ৫০ ৰ কম গ্ৰাহক থকা এজেন্টে দোকান কৰ্তনৰ স্থগিতকৰণৰ নিৰ্দেশ লাভ কৰে, সেই নিৰ্দেশ সকলো এজেন্টৰ বাবে প্ৰযোজ্য হ'ব লাগে বুলি আজি দোকান কৰ্তন কৰি ৰখা এজেন্টসকলে জানিবলৈ দিয়ে । সেয়েহে ৫০ ঘৰ কম গ্ৰাহক তথা সকলো এজেন্টৰ ক্ষেত্ৰত চৰকাৰে তথা যোগান বিভাগে বিবেচনা কৰি এক যোগাত্মক সিদ্ধান্ত ল'ব বুলি বাতৰি কাকতযোগে আহ্বান জনাইছে।

## ৰাজ্য চৰকাৰৰ পৰা 'মিছন বসুন্ধৰা' বাবে

১২ *পৃষ্ঠাৰ পৰা* সন্মানিত কৰিছে। ৰাজ্য চৰকাৰে ঘোষণা কৰা 'মিছন বসুন্ধৰা' বঁটাৰ ক্ষেত্ৰত শিৱসাগৰ জিলা উপায়ুক্তৰ কাৰ্যালয়ে ৰাজ্যখনৰ ভিতৰত তৃতীয় স্থান দখল কৰাত উৎফুল্লিত হৈ পৰিছে জিলা উপায়ুক্ত মেঘনিধি দাহাল, অতিৰিক্ত উপায়ুক্ত বিতুপন নেওগৰ লগতে চক্ৰ বিষয়া, সহকাৰী অতিৰিক্ত উপায়ুক্ত আদি শিৱসাগৰ জিলা প্ৰশাসনে মিছন বসুন্ধৰাৰ বাবে তৃতীয় স্থান লাভ কৰাৰ ক্ষেত্ৰত আঁচনিখন সফল কৰি তুলিবৰ বাবে প্ৰশাসনৰ কাৰিকৰী দিশৰ নেপথ্যত থাকি অহৰহভাৱে আঁচনিখনক আগুৱাই নি জনসাধাৰণৰ সমস্যা সমাধান কৰাত বিশেষ উদ্যোগ গ্ৰহণ কৰা শিৱসাগৰ জিলাৰ জিলা পৰামৰ্শদাতা, সমন্বিত ভূমি নথি ব্যৱস্থাপনা প্ৰণালী, শিৱসাগৰ জিলাৰ কাৰিকৰী বিষয়া হুছেইনক উপায়ুক্তই অভিনন্দন জ্ঞাপন কৰে। জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ ভিতৰত এক অভিনন্দন অনুষ্ঠানৰ জৰিয়তে অতিৰিক্ত উপায়ুক্ত বিতুপন নেওগৰ উপস্থিতত জিলা উপায়ুক্ত মেঘনিধি দাহালে হুছেইনক প্ৰশংসাপত্ৰ প্ৰদান কৰাৰ লগতে শিৱসাগৰ জিলা প্ৰশাসনে ৰাজ্য চৰকাৰৰ পৰা লাভ কৰা তৃতীয় স্থানৰ বঁটাৰ বাবে কৰ্মচাৰীসকলৰ লগতে হুছেইনৰ কাম কৰাৰ ক্ষিপ্ৰতাক শলাগ লয় উপায়ুক্ত দাহালে।

## নাজিৰাত স্বচ্ছ ভাৰতৰ বিপৰীতে ছবি

১২ *পৃষ্ঠাৰ পৰা* এটি ঠেক কোঠাৰ আৱেষ্টনীতে পুৰুষৰ প্ৰস্ৰাৱাগাৰ আৰু মহিলাৰ প্ৰস্ৰাৱাগাৰ সুকীয়া সুকীয়াকৈ লিখি ৰখাতে কৰ্তৃপক্ষই দায়িত্ব সামৰি আহিছে। তেনে প্ৰস্ৰাৱাগাৰতে তত্বাৱধান লোৱাৰ বাবে একোজন চাফাই কৰ্মীক কেতিয়াবা 'পেক্স এণ্ড ইউজ' পদ্ধতি গ্ৰহণ কৰি কৰ্তৃপক্ষই থিয় কৰাই ৰাখে যদিও কোনো পানীৰ যোগান ব্যৱস্থা শূন্য, মান বিহীন প্ৰস্ৰাৱাগাৰ প্ৰৱেশকাৰীয়ে মূল্য দিবলৈ অস্বীকাৰ কৰে। ফলত তত্ত্বাৱধানত নিয়োজিত চাফাই কৰ্মীয়েও কাম এৰি পলাই পত্ৰং দিয়ে। এনে ঘটনাৰ পৰাও শিক্ষা নোপোৱা কৰ্তৃপক্ষই আজিকোপতি নাজিৰা নগৰত এক 'পেএণ্ড ইউজ' মানৰ এটাও প্ৰস্ৰাৱাগাৰ নিৰ্মাণৰ কথা চিন্তা কৰিব পৰা নাই। নাজিৰা পুৰণা এএছটিচি চৌহদৰ কাষত থকা প্ৰস্ৰাৱাগাৰটোত শৌচাগাৰ সংলগ্ন যদিও হঠাতে নোহোৱা হয় তত্ত্বাৱধাক। তেনেদৰে উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কাষৰটোত সকলো সময়তে প্ৰৱেশৰ অনুপযুক্ত হৈয়েই ৰয়। ফলত নাজিৰা নগৰৰ কোনোটো প্ৰস্ৰাৱাগাৰেই স্বাস্থ্যসন্মত নোহোৱা আৰু ময়লাময় দুৰ্গন্ধৰে পৰিপূৰ্ণ হৈ ৰোৱাত আতুৰত পৰা লোকে লাজ-মান কাতি কৰি বিভিন্ন বেৰাৰ চুক-কোণৰ লগতে বিদ্যালয়, কাৰ্যালয়, ব্যৱসায়িক স্থানৰ আবুৰ আদিত সমুখভাগ আঁৰ কৰি ৰাখিয়েই জৰুৰী অৱস্থাৰ পৰা নিজকে পৰিত্ৰাণ কৰোৱাৰ দৃশ্য সহজ হৈছে। এয়া যে কোনো ৰকমে সামাজিক শিষ্টাচাৰ ৰক্ষাৰ উদাহৰণ নহয় সেই কথা বুজিও কৰ্তৃপক্ষই পৰিপক্কতাৰে চিন্তা নকৰি নগৰত প্ৰৱেশ কৰা ভ্ৰমণকাৰী, দূৰণিৰ পৰা অহা লোকক প্ৰস্ৰাৱাগাৰ-শৌচাগাৰৰ জৰিয়তে এক স্বচ্ছ মল-মূত্ৰ নিষ্কাসনৰ ব্যৱস্থা প্ৰদান কৰাত বিফল হৈ আহিছে । আনহাতে স্বচ্ছ ভাৰত অভিযান মিছনৰ দ্বিতীয় পৰ্যায় আৰম্ভ হোৱাৰ সময়ছোৱাতো আজিকোপতি নাজিৰা নগৰত এক আধুনিক 'পাব্লিক-টয়লেট' ব্যৱস্থাৰে সজাই ৰাখিবৰ জোখাৰে 'এছবিএম' কৰ্তৃপক্ষই এটাও প্ৰস্ৰাৱাগাৰ নাই বুলি প্ৰকাশ কৰি আহিছে। খোদ নগৰখনতে এই দুৰৱস্থাৰ প্ৰতিচ্ছবিয়ে নাজিৰাৰ গ্ৰামাঞ্চলসমূহত স্বচ্ছ ভাৰতৰ বিকাশ কোন স্তৰত তাক লৈও প্ৰশ্নৰ অৱতাৰণা কৰিছে ।

## তিতাবৰৰ জিলা শিক্ষা-প্ৰশিক্ষণ

১২ *পৃষ্ঠাৰ পৰা* সন্মুখত দৃষ্টিনন্দন যোগাভ্যাসৰ প্ৰদৰ্শনৰ পাছতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰতিযোগিতা আৰম্ভ হয়। যোৰহাট যোগ সমিতিৰ নিৰ্বাচিত যোগ বিচাৰক তথা যৌগদুৰ বালিকা মাধ্যম ইংৰাজী বিদ্যালয়ৰ হিন্দী শিক্ষয়িত্ৰী সুজাতা শৰ্মা শইকীয়া, যোৰহাট জিলা যোগ সন্থাৰ সাধাৰণ সম্পাদক তথা ৰাজ্যিক স্তৰৰ বিচাৰক অচ্যুত কাশ্যপ আৰু যোৰহাট যোগ প্ৰচাৰক সমিতিৰ সম্পাদক তথা যোৰহাট কেন্দ্ৰীয় কাৰাগাৰৰ যোগ শিক্ষক সমুদ্ৰ ফুকনে সমল ব্যক্তিৰূপে উপস্থিত থাকি প্ৰতিযোগীসকলৰ যোগৰ বিভিন্ন কৌশল আৰু বিভাগসমূহ পুংখানুপুংখভাৱে পৰ্যৱেক্ষণ কৰি শ্ৰেষ্ঠসকলক নিৰ্বাচিত কৰে। জিলা ভিত্তিত অনুষ্ঠিত যোগ কৌশল প্ৰতিযোগিতাত শ্ৰেষ্ঠতাৰ খিতাপ দখল কৰা প্ৰতিযোগী সকলে ৰাজ্যিক শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠানত অনুষ্ঠিতব্য ৰাজ্যিক পৰ্যায়ৰ যোগ অলিম্পিয়াড প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ সুযোগ পাব। ডায়েট'ৰ জ্যেষ্ঠ প্ৰৱক্তা নেত্ৰ গগৈয়ে আঁত ধৰা দিনজোৰা প্ৰতিযোগিতাখনত প্ৰতিষ্ঠানৰ জ্যেষ্ঠ প্ৰৱক্তা ক্ৰমে ৰীতা চলিহা, ড° বিষ্ণু প্ৰিয়া শইকীয়া, কৃষ্ণা দত্ত ডেকা, খগেন কুমাৰ গগৈ, কল্পনা হাজৰিকা গগৈ, ৰুণিমা শইকীয়া দত্ত, জ্যোৎস্না বৰা, মন্দাকিনী ডেকা আৰু মৌচুমী বৰুৱাই ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন প্ৰকাৰে সহায় সহযোগিতা আগবঢ়ায় ইয়াৰ উপৰি জিলা পৰ্যায়ৰ যোগ অলিম্পিয়াডৰ স্মৃতি সংলগ্ন আলোকচিত্ৰ আৰু দৃশ্য-শ্ৰাব্যৰ অংশবিশেষ ভৱিষ্যতৰ ন-শিকাৰুসকলৰ বাবে প্ৰতিষ্ঠানখনত সংৰক্ষণৰো ব্যৱস্থা কৰিছে বুলি শিক্ষানুষ্ঠানখনৰ তৰফৰপৰা অৱগত কৰিছে।

## অসম ৰাজ্যিক সাংবাদিক সন্থাৰ নৱম

১২ *পৃষ্ঠাৰ পৰা* দৈনিক জনমভূমিৰ পত্ৰিকা 'বসুন্ধৰা'ৰ সম্পাদক শাংকৰ কৌশিক বৰুৱাই বক্তব্য আগবঢ়ায়। বক্তব্যত বৰুৱাই কয় যে সাংবাদিকে এখন সমাজ সুশৃংখলিতভাৱে পৰিচালনা কৰিব পাৰে, কেৱল সংবাদ জগতৰ লগতেই জড়িত নাথাকে। সাম্প্ৰতিক সময়ত দেখা যায় একাংশ সমাজত যি ঘটে সেয়াহে বাতৰি লিখে। প্ৰকৃততে সীমিত ধৰণৰ বাতৰিৰ পৰিৱৰ্তে নিজস্ব চিন্তা ধাৰাৰ বাতৰি পৰিৱেশন কৰিব লাগে। অৱশ্যে এই ক্ষেত্ৰত সাংবাদিকৰ অৰ্হতাৰ প্ৰয়োজন আছে । কেৱল প্ৰেছ কাৰ্ড এখন পোৱাটোৱেই বহুতে আশা কৰি সংবাদ সেৱা কৰে। এই ক্ষেত্ৰত সাংবাদিকসকলে প্ৰেছ কাৰ্ড পোৱা মানেই জ্যেষ্ঠ সাংবাদিক বুলি ভবাৰ মানসিকতা ত্যাগ কৰিব লাগে। সভা উদ্বোধন কৰে যোৰহাট জিলাৰ উপায়ুক্ত অশোক কুমাৰ বৰ্মনে। উদ্বোধক বৰ্মনে কয় যে সাংবাদিকসকলৰ সংবাদ সেৱাৰ দ্বাৰা চৰকাৰী কাৰ্যালয়বিলাক বিশেষভাৱে উপকৃত হয় । চৰকাৰে কৰিব লগা বহু কাম সাংবাদিকসকলে পৰিৱেশন কৰা বাতৰিৰ দ্বাৰা দেখুৱাই দিয়ে । অৱশ্যে অসমত সাংবাদিক সকলে অতি কষ্টৰে সংবাদ সেৱা আজিও কৰিব লগা হয়। অসম ৰাজ্যিক সাংবাদিক সন্থাৰ সভাপতি জিতু শৰ্মা ৰাজখোৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ আৰম্ভণিতে জস্মিথা কলিতাই বৰগীত পৰিবেশন কৰে । মাধৱ মহন্ত আৰু মৃদুল হাজৰিকাই আঁত ধৰা সভাত বিশিষ্ট অতিথিৰূপে যোৰহাট জিলাৰ অতিৰিক্ত উপায়ুক্ত দামোদৰ বৰ্মন, তথ্য আৰু জনসংযোগ বিভাগ যোৰহাটস্থ আঞ্চলিক কাৰ্যালয়ৰ উপ-সঞ্চালক ত্ৰিদিৱ নন্দন বৰা, যোৰহাট প্ৰেছ ক্লাবৰ সভাপতি দিগন্ত বুঢ়াগোহাঁয়ে বক্তব্য আগবঢ়ায়। উক্ত সভাত ৰাজ্যৰ জ্যেষ্ঠ সাংবাদিক সোমেশ ডেকা, প্ৰদীপ দত্ত, বুধীন্দ্ৰ নাথ বৰঠাকুৰ, দেৱেন্দ্ৰনাথ বৰা, বুবুল দত্ত, নীলু আচাৰ্য আৰু পৰিবহণ বিষয়া ধনঞ্জয় শইকীয়া উপস্থিত থাকে। উক্ত সভাত দৈনিক জনমভূমি কাকতৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ সাংবাদিক মিহিৰাম বৰা আৰু যোৰহাট জিলা সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতি ৰিজু শইকীয়াক বিশেষভাৱে সম্বৰ্ধনা জনায়। সভাখনত মৰিগাঁও, শিৱসাগৰ, চৰাইদেউ, ডিব্ৰুগড়, বোকাখাত, মাজুলী, তেজপুৰ, হোজাই আদি জিলাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। অসম মহিলা বিশ্ববিদ্যালয়ৰ গণসংযোগ বিভাগৰ ছাত্ৰীসকলেও আজি সভাত অংশগ্ৰহণ কৰে।

## যোৰহাট জাতীয় ভৱনৰ সভাপতি

১২ *পৃষ্ঠাৰ পৰা* আগবঢ়োৱা অবদানৰ কথা সোঁৱৰে। যোৰহাট জাতীয় বিদ্যালয়ৰ অধ্যক্ষা সান্ত্বনা শৰ্মাই দেশ আৰু জাতিৰ বাবে গোস্বামীৰ আশাশুধীয়া কৰ্মৰাজিৰ সোঁৱৰণ কৰে। যোৰহাট মহাবিদ্যালয়ৰ প্ৰৱক্তা ড° বিদ্যুৎ বৰাই গোপাল গোস্বামীক লগ পোৱাৰ উমাল সান্নিধ্যৰ কথা উল্লেখ কৰে। ৰ'দ কাঁচিয়ালিৰ সম্পাদক বিষ্ণুৰাম শৰ্মাই গোস্বামীয়ে শিশু অৱস্থাত ১৯৫০/৫১ত মাজুলীত প্ৰকৃতিৰ স'তে নিবিড় সংস্পৰ্শলৈ অহা কথা উল্লেখ কৰে। মাজুলীৰ গড়মূৰৰ নিজৰ ঘৰৰ কাষতে থকা গেজেপনি মৰা হাবিত প্ৰতি ৰাতি বাঘৰ গোঁজৰণি শুনা গোস্বামীয়ে মাত্ৰৰ দুই মিটাৰ দূৰত বাঘক পাইছিল। তেওঁ গোস্বামীক এজন ভাল লেখক বুলি আখ্যা দিয়ে। মাও চে তুঙৰ ৰচনাৱলী আৰু নেভিল মেক্সৱেলৰ 'ৰেদ চাইনা তুদে' কিতাপৰ অনুবাদৰ ক্ষেত্ৰত গোস্বামী যথেষ্ট আগবাঢ়িছে বুলি কয়। দিলীপ বেজবৰুৱা, অৰূপ গোস্বামীয়েও মহান শিক্ষাবিদজনৰ সান্নিধ্য সোঁৱৰণ কৰে। গোস্বামীৰ বৰপুত্ৰ আৰু বৰবোৱাৰী অংকুৰণ গোস্বামী আৰু শ্ৰুতিধাৰা কৌশিকে (বৰ্তমান অষ্ট্ৰেলিয়াত নিবাসী) দেউতাকৰ দৃঢ় আদৰ্শবাদ, বিৰল মানৱীয় ব্যক্তিত্ব আৰু সংগ্ৰামমুখৰ জীৱনৰ কথা কৈ আবেগিক হৈ পৰে। সৰুপুত্ৰ সুদৰ্শন গোস্বামী আৰু সৰু বোৱাৰী অন্তৰা শৰ্মাই দেউতাকৰ অকৃত্ৰিম মৰম-চেনেহ আৰু দেশ আৰু জাতিৰ বাবে অহৰহ কাম কৰি যাবৰ বাবে দিয়া প্ৰেৰণা আৰু উৎসাহৰ কথা উল্লেখ কৰে। জাতীয় ভৱনৰ পৰাগমণি ভট্টাচাৰ্যয়ো ভাষণ ৰাখে।

গোস্বামীৰ বিদুষী পত্নী শিক্ষয়িত্ৰী অজয়া কটকী গোস্বামীয়ে তেওঁলোকৰ সুদীৰ্ঘ বছৰীয়া বৈবাহিক জীৱনৰ সুখ, দুখ সংগ্ৰাম, হাঁহি, আনন্দ বিষাদ আদি সুঁৱৰি আবেগিক হৈ পৰে।

সভাপতি পুলিন ফুকনে গোপাল গোস্বামীৰ সাহিত্যিক-শৈক্ষিক জগতলৈ আগবঢ়োৱা অৱদানৰ কথা কয়। তেওঁ গোস্বামীয়ে অনুবাদ কৰি থকা গ্ৰন্থ দুখন অচিৰেই ওলাব বুলি আশা প্ৰকাশ কৰে। তেওঁ গোস্বামীয়ে ৭০ দশকৰ পৰাই প্ৰগতিশীল আন্দোলনত সক্ৰিয় ভূমিকা লৈ অহা বিশিষ্ট নাগৰিকজনক ওলগ জনাবলৈ পাই ধন্য মানিছে বুলি কয়।

সম্বৰ্ধনাৰ উত্তৰত গোস্বামীয়ে তেওঁৰ জীৱনৰ এছোৱা দীৰ্ঘকাল প্ৰচণ্ড আৰ্থিক কষ্ট আৰু আৰু দুৰৱস্থাৰ মাজেৰে কটোৱাৰ মাজেদিয়েই আহি এই পৰ্যায় পাইছেহি বুলি দোহাৰে। তেওঁ কয় যে এসময়ত গড়মূৰ সত্ৰৰ বিপ্লৱী সমাজ সংস্কাৰক সত্ৰাধিকাৰ পীতাম্বৰ দেৱ গোস্বামী আৰু মহান শিক্ষাবিদ ইন্দিৰা মিৰিৰ সান্নিধ্যই তেওঁ জীৱনক নতুন গতি পথ দিয়ে বুলি কয়। তেওঁ পিচিচিৰ শ্ৰেণীসংগ্ৰামী চিন্তাবিদ বিমল মেধিৰ স'তে ৭০ৰ দশকত হোৱা বন্ধুত্বৰ পৰা পোৱা উমাল বিপ্লৱী মানসিকতাৰ কথা উল্লেখ কৰে। উক্ত সম্বৰ্ধনাৰ প্ৰত্যুত্তৰ দি দীঘলীয়া বক্তব্য ৰাখি গোপাল গোস্বামী অভিভূত হৈ পৰে। তেওঁ এছোৱা কাল অপৰিসীম নিষ্ঠাৰে শ্ৰেণীসংগ্ৰাম আলোচনীৰ কাম কৰিছিল আৰু আজিৰ সভাত পুনৰ সেই কামত হাত দিব বুলি জনায়। সভাত জাতীয় ভৱন আৰু জাতীয় বিদ্যালয়ৰ সমূহ কৰ্মীবৃন্দই ভাগ লয়।

## মিছন বসুন্ধৰাৰ শ্ৰেষ্ঠ অতিৰিক্ত উপায়ুক্ত বঁটা মৰিগাঁৱৰ গৰ্গমোহন দাসলৈ

### ভূৰাগাঁও ৰাজহ চক্ৰৰ বিষয়া প্ৰিয়ংকা বণিয়া, মৰিগাঁও ৰাজহ চক্ৰৰ লাটমণ্ডল দিলীপ কুমাৰ কলিতাক পাৰদৰ্শিতা বঁটা প্ৰদান

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ১১ মে' ঃ** খিলঞ্জীয়া লোকক ভূমি অধিকাৰ দিয়াৰ লক্ষ্যৰে ৰাজ্য চৰকাৰৰ ৰাজহ বিভাগে আৰম্ভ কৰা মিছন বসুন্ধৰাত দক্ষতাৰে কাম সম্পাদন কৰাৰ স্বীকৃতি স্বৰূপে মৰিগাঁৱৰ জ্যেষ্ঠ প্ৰশাসনিক বিষয়া আৰু ৰাজহ বিভাগৰ দায়িত্বত থকা অতিৰিক্ত উপায়ুক্ত গৰ্গমোহন দাসক যোৱা আঠ মে'ত গুৱাহাটীত অনুষ্ঠিত মিছন বসুন্ধৰাৰ প্ৰথম পৰ্যায়ৰ সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শ্ৰেষ্ঠ পাৰদৰ্শিতাৰ বঁটাৰে সন্মানিত কৰে। উল্লেখ্য যে অসম অসামৰিক সেৱাৰ বিষয়া গৰ্গমোহন দাস মিছন বসুন্ধৰাৰ মধ্য অসম আৰু পাৰ্বত্য জিলাৰ ভিতৰত শ্ৰেষ্ঠ অতিৰিক্ত উপায়ুক্তৰূপে নিৰ্বাচিত হয়। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত সভাত মুখ্যমন্ত্ৰীৰ হাতৰ পৰা এই বঁটা গ্ৰহণ কৰে বিষয়াজনে। গুৱাহাটীত অসম চৰকাৰৰ ৰাজহ বিভাগৰ দ্বাৰা অনুষ্ঠিত বঁটা প্ৰদান অনুষ্ঠানত মখ্যমন্ত্ৰী ড° শৰ্মাৰ পৰা বঁটা লাভ কৰি কয়, 'অসম চৰকাৰে প্ৰদান কৰা এই বঁটা অকল তেওঁৰ বাবেই নহয়, বসুন্ধৰা আঁচনিত কাম কৰা মৰিগাঁও ৰাজহ বিভাগৰ প্ৰতিগৰাকী বিষয়া-কৰ্মচাৰী আৰু মণ্ডলসমূহৰ বাবে ই এক প্ৰেৰণাদায়ক বঁটা। ইফালে, মিছন বসুন্ধৰাত কৰ্মনিষ্ঠাৰে নিজৰ দায়িত্ব সম্পাদন কৰাৰ স্বীকৃতিৰূপে একেখন সভাতে ৰাজহ মন্ত্ৰী যোগেন মহনে মৰিগাঁও জিলাৰ ভূৰাগাঁও ৰাজহ চক্ৰৰ বিষয়া প্ৰিয়ংকা বণিয়া আৰু মৰিগাঁও ৰাজহ চক্ৰৰ লাট মণ্ডল দিলীপ কুমাৰ কলিতাকো পাৰদৰ্শিতা বঁটাৰে সন্মানিত কৰে।

## পাকাবেতবাৰীত বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ ১৬১ সংখ্যক জন্মজয়ন্তী পালন

**অগ্ৰদূত বাৰ্তা**

**কয়াকুছি, ১১ মে' ঃ** বৰপেটা জিলাৰ সৰুক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত পাকাবেতবাৰী বীণাপানি ক্লাব এণ্ড লাইব্ৰেৰীৰ উদ্যোগত যোৱা ন মে'ৰ সন্ধিয়া বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ ১৬১ সংখ্যক জন্মজয়ন্তী উপলক্ষে এখন শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। পাকাবেতবাৰী গাঁওৰ সমাজসেৱক তথা প্ৰাক্তন গ্ৰামসেৱক অনিল চন্দ্ৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত শ্ৰদ্ধাঞ্জলি সভাত ক্ৰমে বি কে নিত্যানন্দ-ওৱাহেদ আলী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নন্দলাল সৰকাৰ, বৰপেটা আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ সহায়ক তথা সমাজকৰ্মী নিখিল মণ্ডল, বি কে নিত্যানন্দ-ওৱাহেদ আলী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক তথা পৰিচালনা সমিতিৰ সভাপতি প্ৰিয়নাথ ৰায়, কয়াকুছি মিলন এম ই স্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক সনাতন মণ্ডল, পাকাবেতবাৰীৰ সাংবাদিক প্ৰদীপ কুমাৰ সৰকাৰ, জিলমোহন ৰায়, সাংবাদিক আব্দুল জলিল আদি কৰি বহুতো বিশিষ্ট ব্যক্তিসকলে বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ কৰ্মজীৱনী, আদৰ্শ তথা সমাজৰ কৰণীয় আদি দিশ সন্দৰ্ভত ভাষণ প্ৰদানৰ মাজেৰে বিস্তাৰিতভাৱে আলোকপাত কৰে। কাৰ্যসূচী অনুসৰি ঠাকুৰৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জনোৱাৰ পাছত কে'বাজনো মুখীয়াল ব্যক্তিয়ে ৰবীন্দ্ৰ সংগীত পৰিবেশনেৰে জীপাল কৰি তোলা অনুষ্ঠানত সমাজকৰ্মী বৰুন ৰায়, সুকুমাৰ সৰকাৰ, বাবুলাল ৰায় আদিকে কৰি স্থানীয় বৃহত্তৰ অঞ্চলটোৰ প্ৰায় ডেৰ শতাধিক সচেতন ৰাইজ উপস্থিত থাকে। সমাজকৰ্মী জিলমোহন ৰায়ে আঁত ধৰা অনুষ্ঠানৰ অন্তত ৰাষ্ট্ৰীয় সংগীত পৰিৱেশনেৰে অনুষ্ঠানৰ সামৰণি পৰে।

## ঘগ্ৰাপাৰত উদ্ধাৰ নৱজাতকৰ মৃতদেহ

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১১ মে' ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ আৰক্ষী থানাৰ অন্তৰ্গত ঘগ্ৰাপাৰ-তামুলপুৰ পথৰ কাষৰ অৰুণোদয় জাতীয় বিদ্যালয়ৰ পাছফালে অৱস্থিত এটা পুখুৰীত যোৱা নিশা ১১ বজাত অৰ্ধগলিত অৱস্থাত উদ্ধাৰ হয় নৱজাতকৰ মৃতদেহ। লগে লগে ঘটনাস্থলীত ঘগ্ৰাপাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া চন্দন ডেকা উপস্থিত হৈ ঘটনাৰ তদন্ত কৰাৰ লগতে নৱজাতকৰ মৃতদেহ উদ্ধাৰ কৰে। ইফালে, ঘটনাটোৰ পাছতেই ৰাইজৰ মাজত হাহাকাৰ লাগে। মানৱ সমাজক লজ্জিত কৰা অমানৱীয় ঘটনাটো কোনে কি কাৰণত কৰি উক্ত স্থানত পেলাই দিলে সেয়া স্পষ্ট হোৱা নাই যদিও বৃহত্তৰ ঘগ্ৰাপাৰ অঞ্চলত ইয়াকে লৈ ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

## বামুন্দী হাইস্কুলত সতীৰ্থ সন্মিলন

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ১০ মে' ঃ** বামুন্দী হাইস্কুলত ১৯৭৬ত অধ্যয়ন কৰা শিক্ষাৰ্থীসকলৰ সতীৰ্থ সন্মিলন এখন অহা ১৫ মে'ত অনুষ্ঠিত হ'ব। বামুন্দী হাইস্কুলত এই উপলক্ষে সেইদিনা পুৱা পতাকা উত্তোলন কৰিব সভাপতি ডাঃ অচ্যুৎ বৈশ্যই। ছহিদ তৰ্পণ কৰিব ছহিদ ভ্ৰাতৃ বলিৰাম কলিতাই। বৃক্ষৰোপণ কৰিব কাৰ্যকৰী সভাপতি জীতেন্দ্ৰ মেধিয়ে। অন্তৰংগ আলাপত সঞ্চালনা কৰিব ডাঃ অচ্যুৎ বৈশ্যই। আবেলি অনুষ্ঠিত হ'বলগা মুকলি সভাত অংশ ল'ব বিশিষ্ট চিকিৎসক ডাঃ সুৰেশ চন্দ্ৰ চক্ৰৱৰ্তী আৰু চিকিৎসক তথা সাংস্কৃতিক কৰ্মী ডাঃ অঞ্জনজ্যোতি চৌধুৰীয়ে। মুখপত্ৰ উন্মোচন কৰিব অৱসৰপ্ৰাপ্ত শিক্ষক সূৰ্যকান্ত কলিতাই। বিশিষ্ট অতিথিৰূপে অংশ ল'ব অৱসৰপ্ৰাপ্ত অধ্যক্ষ প্ৰভাত চন্দ্ৰ ঠাকুৰীয়াই। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানত সংগীত পৰিবেশন কৰিব কুমাৰ চুনু, বৰ্ণালী কাশ্যপ আৰু দ্বীপজ্যোতি কলিতাই। লগতে প্ৰদৰ্শন হ'ব বিহু নৃত্য। সতীৰ্থ সন্মিলনত ১৯৭৬ত বামুন্দী হাইস্কুলৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা সকলো শিক্ষাৰ্থীক উপস্থিত থকাৰ বাবে উদ্যোক্তাসকলে অনুৰোধ জনাইছে।

## অভয়াপুৰীত সাহিত্য সভাৰ আলোচনাচক্ৰৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ১১ মে' ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী স্বৰ্ণ শাখা সাহিত্য সভা আৰু অভয়াপুৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ যৌথ উদ্যোগত অহা ১৪ মে'ৰ পুৱা ১১ বজাত এখনি আলোচনাচক্ৰৰ আয়োজন কৰিছে। স্বৰ্ণ শাখা সাহিত্য সভাৰ সভাপতি উপেন বৰুৱাই জানিবলৈ দিয়ামতে, মহাবিদ্যালয়খনৰ পূৰ্ণ চন্দ্ৰ শীল সভাকক্ষত 'অসমীয়া ভাষা সাহিত্য-সংস্কৃতিৰ সাম্প্ৰতিক স্থিতি আৰু বহন ক্ষমতা' শীৰ্ষক বক্তৃতানুষ্ঠানত মুখ্য বক্তা হিচাপে অংশ ল'ব কটন বিশ্ববিদ্যালয়ৰ প্ৰাক্তন মুৰব্বী অধ্যাপক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° জগদীশ পাটগিৰিয়ে।

## মাজুলীত অনিয়ম-দুৰ্নীতিৰে

১২ *পৃষ্ঠাৰ পৰা* নিৰ্মাণ প্ৰায় সম্পূৰ্ণ হোৱা ফিল্টাৰটোৰ কাম যে অতি নিম্ন মানৰ হৈছে সেই কথা আঁচনিখনত কৰ্মৰত বনুৱাই নিজে স্বীকাৰ কৰিছে। তদুপৰি বৰ্তমান নিৰ্মাণ কৰি থকা মেচিন গৃহটো প্ৰাক্কলন উলংঘাৰে নিৰ্মাণ অব্যাহত ৰখাৰ অভিযোগ উঠিছে। এনেবোৰ অভিযোগৰ পৰিপ্ৰেক্ষিতত মাজুলীবাসী ৰাইজে জিলাখনত নিৰ্মাণ সম্পূৰ্ণ হোৱা আৰু অব্যাহত থকা জলজীৱন প্ৰকল্পৰ আঁচনিসমূহৰ ওপৰত এক উচিত তদন্ত কৰিবলৈ মুখ্যমন্ত্ৰীক আহ্বান জনাইছে আৰু এইক্ষেত্ৰত মাজুলী জিলা প্ৰশাসন আৰু স্থানীয় বিধায়কৰ হস্তক্ষেপ কামনা কৰিছে।

## জ্যোতিষ শাস্ত্ৰবিদ, সংস্কৃত পণ্ডিত-পূজাৰী কামেশ্বৰ শৰ্মাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**দুমুনিচকী, ১১ মে' ঃ** কামৰূপ জিলাৰ বিশিষ্ট জ্যোতিষ শাস্ত্ৰবিদ, সংস্কৃত পণ্ডিত কামেশ্বৰ শৰ্মাৰ কালি নিশা বিয়োগ ঘটে। জিলাখনৰ পশ্চিম পিংগলেশ্বৰ গাঁৱৰ বাসিন্দা কামেশ্বৰ শৰ্মা এগৰাকী পূজাৰী হিচাপেও ৰাইজৰ মাজত জনাজাত আছিল। ১৯২৯ৰ আগষ্টত জন্মগ্ৰহণ কৰা কামেশ্বৰ শৰ্মাই এসময়ত গুৱাহাটীৰ পৰা প্ৰকাশিত 'সৃষ্টি' নামৰ আলোচনীত সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। বৃহত্তৰ পিংগলেশ্বৰ অঞ্চলৰ বাসন্তী মন্দিৰকে ধৰি বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে একাত্মভাৱে জড়িত হৈ থকা কামেশ্বৰ শৰ্মাৰ নশ্বৰদেহ আজি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানলৈ লৈ গৈ গুণমুগ্ধসকলে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ অন্তত অসংখ্য শুভাকাংক্ষীৰ উপস্থিতিত তেওঁৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। অতিথিৰূপে জিলা আঁচনি বিষয়া ক্ৰমে নিৰঞ্জন ওজা, সীতাংগ ডেকা, ৰঞ্জন দাস, কিশোৰ কুমাৰ ৰাজবংশীৰ লগতে জিলা ক্ৰমসূচক (তথ্য প্ৰণালী) বিষয়া ওৱাজেদুল হাছান, বৰপেটা শিক্ষা খণ্ডৰ প্ৰাথমিক শিক্ষক বিষয়া ভৱেশ কুমাৰ তালুকদাৰ, হৰেন্দ্ৰ-চিত্ৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জাকিৰ হুছেইন অংশগ্ৰহণ কৰিব। আনহাতে, সভাত নিৰ্দিষ্ট বক্তাৰূপে দাতিৰবড়ী-কৰাগাড়ী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক আব্দুল কাদেৰে অংশগ্ৰহণ কৰিব।


**AUCTION NOTICE**

The Executive Engineer, PWD. Dispur & Guwahati East Territorial Building Division, Guwahati-1 on behalf of Governor of Assam invites auction for the extracted materials in lump-sum amount as is where in basis from the reputed Contractor/Firm/Party for the work *Auction for the materials(scrape/serviceable/unserviceable) recovered after dismantling of old structure (AT Building/ RCC and other structure) TB Hospital at Kalapahar and MMCH at Panbazar for "Construction of New Medical College centering MMCH and Kalapahar Campus along with 800 Bedded General Hospital at MMCH Campus in Guwahati" Package No. NMC-GHY having experience in similar nature of work. Details of the bids may be seen at e-procurement portal website: www.assamtenders.gov.in and also in the office of the undersigned during office hours. The bidders must be enrolled in www.assamtenders.gov.in for participating in the bidding process.

**Reserve Price: Rs. 54,79,100.00 (Rupees fifty four lakh seventy nine thousand one hundred) only**

Sd/-
Executive Engineer, P.W.D
Dispur & Guwahati East Territorial
Building Division, Guwahati-1.

Janasanyog/C/2288/22



অসম লোকসেৱা আয়োগ
ASSAM PUBLIC SERVICE COMMISSION
*******

No.76PSC/DR-60/1/2020-2021 Dated Guwahati the 11th May, 2022

**NOTIFICATION**

It is for Information to all concerned that the Assam Public Service Commission will hold the **Screening Test** in the form of **Computer Based Test** for recruitment to the post of District Sports officer under Sports and Youth welfare Department on **21-05-2022 (Saturday)** as per programme given below.( **Advt. No.: 10/2021, dated: 16-11-2021**).

| Name of Post | Date & Day | Time | Subject | Venue |
|---|---|---|---|---|
| District Sports Officer under Sports and Youth welfare Department | 21-05-2022 ( SATURDAY ) | 3:00 PM TO 5:00 PM | General Studies | iON Digital Zone, Borjhar e-COM Tower, 3rd and 4th Floor, VIP Road, Opposite St. Claret School, Borjhar Area, Kahikuchi, Guwahati-781015 |

The Commission has decided to allow all the eligible candidates to appear in the **Screening Test (CBT) to be held on 21/05/2022**. The Commission would like to clarify that it reserves the right to cancel the candidature of any candidate on verification/scrutiny of their application form at any time or any stage after the Screening Test (CBT), if it is found that they do not fulfill any of the eligibility conditions as per term of **Advt. No.: 10/2021, dated: 16-11-2021.**

No intimation letter to the candidates shall be sent separately by post. The list of eligible candidates shall be uploaded on **11-05-2022** and intimation letters shall be uploaded on **14-05-2022** in the APSC's official website (**www.apsc.nic.in**).The candidates shall have to download their own intimation letter from the aforesaid website.

Under Secretary,
Assam Public Service Commission
Jawaharnagar, Khanapara, Guwahati - 22

Janasanyog/D/3154/22



N.I.T. No. BANDI/TQ-3/Pt-V/2019-20/

**NOTICE INVINTING TENDER**

Sealed tender affixing court fee stamp of Rs 8.25(Rupees eight and paise twenty five only) eventually drawn in A.P.W.D. F-2 form is invited from registered contractor under Irrigation Department for the mentioned works under Bongaigaon Abhayapuri North Division (Irrigation), Bongaigaon.

| Group No. | Name of Scheme | Name of work | Amount (in Lac, approx) | Time of completion. |
|---|---|---|---|---|
| I | M & R to Nizla Flow Irrigation Scheme. for the year 2021-22 | Repairing Works of Gates of Nizla FIS | Rs 4.50 | 20 Days |

Earnest Money: - 2%against work value for general category and 1% for SC, ST, OBC, MOBC etc.
Issue of tender document: - Up to 3.00 pm of 13-05-2022
Receipt of tender: - Up to 1.00 pm of 18-05-2022 in the O/O the undersigned.
Opening of tender: - At 2.00 pm on 18-05-2022

Detailed tender document can be obtained from the office of the undersigned on all working days during office days as mentioned above against an application and on payment of Rs. 100.00 (Rupees One hundred ) only by I.P.O. duly pledge the Executive Engineer, Bongaigaon Abhayapuri North Division (Irrigation), Bongaigaon/cash for each group. If for any reason last date of receiving or issuing tender paper is declared as holiday /bandh tender will be received and opened on the next working day.

The tenders or their authorized representative may remain present at the time of opening of tenders if they desire to stay.

Special Clauses:
1. The contractor will have to submit the copy of up to date Registration certificate/ VAT clearance/Labour license/ PAN.
2. The payment of the work is subjected to availability of fund and no claim will be entertained for interest/delayed payment in future thereof.
3. This NIT will form a part of the contact agreement in addition to A.P.W.D. F-2 form.
4. All other terms and conditions as per rules and procedures followed in Irrigation Department, Assam from time to time are also applicable.
5. The concerned Authority reserves the right to accept/reject any or all tender without assigningany reason there and is not bound to accept the lowest tender.

Executive Engineer
Bongaigaon Abhayapuri Noth Division (Irrigation),
Bongaigaon.

Janasanyog/C/2238/22